চান্দমামা

মে' ১৯৮৫



যিদিনা মোৰ লৰাই দন্তছিদ্ৰ আৱিষ্কাৰ কৰিলে
"মা, মা অমিতৰ দাঁতত পোকে ধৰিছে।"
"ওহো, সেইটো নহয়। ইয়াক কোৱা হয় দন্তছিদ্ৰ।"
"এৰা, মই তাকেই কব খুজিছো! মই মোৰ দাঁতবোৰ দেখুৱালো। সোৱাদভৰা, ফেনভৰা টুথপেষ্টৰ কথাও কলো।"
"এঁচাকৈয়ে ভাল! আলু মজবুত কৰে, দাঁতক দীৰ্ঘায়ু প্ৰদান কৰে।"
ফৰহেন্স ফ্লোৰাইড
সোৱাদ আৰু ফেনভৰা এই টুথপেষ্ট দাঁত আৰু আলু-দুয়োকে সুৰক্ষা কৰে
FOR THE GUMS
Forhan's
with active FLUORIDE to check tooth decay

প্ৰৱেশ মূল্য নাই

চন্দামামা কেমেল
ৰঙৰ প্ৰতিযোগিতা

পুৰস্কাৰ লাভ কৰক :
কেমেল

১ম পুৰস্কাৰ ১৫ টকা
৩টি দ্বিতীয় পুৰস্কাৰ ১০ টকা
১০টি তৃতীয় পুৰস্কাৰ ৫ টকা
১০ খন প্ৰমাণপত্ৰ

এই প্ৰতিযোগিতা ১২ বছৰ পৰ্যান্ত বয়সৰ লৰা-ছোৱালীৰ কাৰণে মুকলি থাকিব; ওপৰত দেখুৱা চিত্ৰখন সম্পূৰ্ণৰূপে কেমেল ৰঙেৰে ৰং কৰিবা আৰু তলৰ ঠিকনালৈ পঠিয়াই দিবা;
পোঃ বঃ নং ১১৫০১, নাৰীমেন পইণ্ট পোষ্ট অফিচ, বোম্বাই-৪০০ ০২১।
বিচাৰকৰ সিদ্ধান্তই হব শেষ আৰু চুৰান্ত। কোনো যোগাযোগ গ্ৰহণযোগ্য নহয়।

Name: Gautam Goswami Age: 10 years
Address: P.O. Patacharkuchi
Vill - Patasatra. Barpeta (Assam)

CONTEST NO. 42

কুপনখন ভৰ্ত্তি কৰক মাত্ৰ ইংৰাজীত : 31.5.1985

Vision/CPL/85015 Ass.

যোগদান-পত্ৰ পঠিওৱাৰ শেষ তাং...

এই ফুটফুটীয়া ৰেখাৰে কাটিব...

Campa
Campa
Campa
কেম্পাৰ লগতেই
আমি সকলোৰে
কৰোঁ ৰং ধেমালি!
কেম্পা অৰেঞ্জ ফ্লেভাৰ—
ৰং ধেমালিৰ সোৱাদ !
Campa
কৃত্রিম সোৱাদ—ফল ৰস বা শাহ বিহীন পানীয় ।
OBM/5361

চান্দমামা

সংস্থাপকঃ চক্ৰপাণি

সঞ্চালকঃ বি নাগিৰেড্ডি

ফটো নামকৰণ প্ৰতিযোগিতালৈ অংশগ্ৰহণ কেৱল প’স্টকাৰ্ডৰ যোগেদিহে কৰিব পাৰি। নিজৰ সম্পূৰ্ণ নাম আৰু ঠিকনা অসমীয়াত বা ইংৰাজীত লিখিব লাগে। প্ৰতিযোগীয়ে বয়স উল্লেখ কৰিব লাগিব। নিজ হস্তাক্ষৰেৰে লিখি অংশগ্ৰহণ কৰা বাঞ্ছনীয়। কোন সংখ্যাৰ বাবে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে, সেই সংখ্যাৰ উল্লেখ নকৰিলে বাতিল বুলি গণ্য হ’ব। ফটো-নামকৰণ প্ৰতিযোগিতালৈ অংশগ্ৰহণ কৰাত বয়সৰ সীমা নাই।

অমৰ-বাণী

যদি দাতুঃ সভালুব্ধঃ দানম্ তত্ৰহি দুৰ্লভম্।
স দৃশ্যতে কল্পতৰো মূৰ্লে কণ্টককুঞ্জৱৎ ॥

[দানী যদি লোকৰ লোভী বন্ধু থাকে তেনেহ’লে দান পোৱা অসম্ভৱ। কিয়নো, কল্পবৃক্ষক যেনেকৈ ৰঘুমলা বা লতা চানেকীয়া গছে সদায় আগুৰি ৰাখে, ঠিক তেনেকৈয়েই লোভী বন্ধুৱে দানীক আগুৰি ৰাখে।]

বছৰঃ ১০ মে’ ১৯৮৫ সংখ্যাঃ ২

খনে: ২·০০ টকা: বছৰেকীয়া বৰঙণি: ২৪·০০ টকা

চান্দমামাৰ খুতুৰা-খবৰ

এছিয়াৰ আটাইতকৈ ডাঙৰ টেলিস্ক'প



বালচন্দনগৰত এছিয়াৰ আটাইতকৈ ডাঙৰ টেলিস্ক'প আছে। ইয়াৰ উচ্চতা ১৫.৭ মিটাৰ, বহলে ৮.৭ মিটাৰ। ১১.৭ মিটাৰ উচ্চতাসম্পন্ন ২৩০ ছেন্টিমিটাৰৰ এটা টেলিস্ক'প ছিভিল এভিয়েশ্বন বিভাগত এক ভাৰতীয় বিজ্ঞাপন সংস্থাৰ কামত নিযুক্ত আছে।

এশবছৰলৈ জীয়াই থাকিব পাৰি

দক্ষিণ মালয়েছিয়াৰ মুবাৰ্ক অঞ্চলত ওমৰদান নামৰ এগৰাকী ১০৬ বছৰীয়া বৃদ্ধা আছে। তেওঁ কয় যে—ধৈৰ্য্য ধাৰণ, সহগুণ, কথা ৰক্ষা কৰা, মিছা কথ নোকোৱা আৰু ধাৰ নোলোৱা—এই গুণকেইটি থাকিলে বা আয়ত্ত কৰিলে যিকোনো মানুহে এশ বছৰলৈ বা তাতেকৈ অধিক কাল জীয়াই থাকিব পাৰে।

সত্যবাদিতাৰ পুৰস্কাৰ

হলিউডৰ এৰিক দ্য ৰাইল্ড এটি অনাথ কিশোৰ। সি এদিন অলংকাৰৰ মোনা এটা বুটলি পাই পুলিছৰ ওচৰত জমা দিলে। মোনাটোৰ গৰাকী হিচাপে ১০০০৪০০ জন মানুহ-মুনিহে দাবী জনাইছিল। কিন্তু কোনেও সঠিককৈ গহনাৰ বিবৰণ দিব নোৱৰাত পুলিছ-কৰ্তৃপক্ষই অলংকাৰৰ মোনাটো এৰিকক ঘূৰাই দিলে। মোনাটোত থকা অলংকাৰৰ মুঠ মূল্য আছিল ৩৫ কোটি টকা।

জানিবলগীয়া

১। এছিয়াৰ আটাইতকৈ ডাঙৰ দ্বীপৰ নাম কি?

২। এতিয়াৰ স্পেইন আৰু পৰ্টুগালৰ প্ৰাচীন নাম কি আছিল?

৩। ইজৰায়েলৰ প্ৰধান বন্দৰ-নগৰ কোনখন?

৪। ছুয়েছখালৰ ইমূৰত আৰু সিমূৰত থকা বন্দৰ-নগৰৰ নাম কি?

৫। ছোভিয়েত আৰু আফগানিস্থানৰ মাজত থকা নৈখনৰ নাম কি?

[উত্তৰ : ৬৪নং পৃষ্ঠাত]

খৰৰ দৰব খুখুন্দত

সীতানাথ আৰু ৰামনাথ আছিল ওচৰ চুবুৰীয়া। যিকোনো সৰুসুৰা বিষয়ত সীতানাথ ব্যস্ত হৈ উঠিছিল। আনহাতে ৰামনাথ আছিল ধীৰ-স্থিৰ। কোনো কথাতে সি কেতিয়াও খৰধৰ নকৰিছিল।

এদিন সীতানাথৰ ঘৰৰপৰা চাৰিটা ৰূপৰ মুদ্রা হেৰুউৱাত বিচাৰি নাপাই সি তাৰ মুদ্রাকেইটা তন্ন তন্নকৈ বিচাৰি ঘৈণীয়েকক সুধিলে।

তাৰ পাছত সীতানাথে তাৰ পুতেককো সুধিলে। পুতেকেও একো নাজানে বুলি ক'লে। তেতিয়া সীতানাথে খঙতে কৈ উঠিল, "তেনেহ'লে মুদ্রা চাৰিটাৰ ডেউকা গজিলনে কি?"

তেতিয়া সীতানাথৰ ঘৈণীয়েক সতীয়ে সীতানাথক ক'লে, "চোৱা, তুমি সদায় বয়-বস্তু অ'ত ত'ত থৈ দিয়া—আৰু আমাৰ কাম-বন কৰা ছোৱালীজনীয়ে মাজে-মধ্যে ইটো-সিটো লৈ যায়। জলকীয়া, হালধি, ডাইল-চাউল যি পায় আৰু পাৰে—তাই নিয়ে।"

"ওঁ, কালিও তাই সৰু টোপোলা এটাত কিবাকিবি নিছিল।" পুতেক ক'লে।

"তাই লৈ গ'ল—তই একো নক'লিনে?"

"মাক কলোঁৱেই নহয়-- ?"

সীতানাথে তাৰ ঘৈণীয়েকক সুধিলে, "তুমি তাইক হাতে-লোতে ধৰিলানে?"

"তাই বৰ মুখচোকা। তাই চাউল লৈ যোৱা দেখি মই তাইক কোৱাত তাইহে মোক ঘূৰাই ধৰিলে। তাই ক'লে, 'আইঔ, আপুনি দেখিছোঁ পাহৰা ধানৰ ভাত খায়। মোক যে আপুনি নিজেই

চাউলকেইটা দিলে—কেনেকৈনো পাহৰি থাকিল? এইদৰে যদি অনাহকতে অপমান কৰে—মই আপোনালোকৰ কাম-বন কৰিব নোৱাৰিম কৈছোঁ'।"

"দেখিলানে? তোনাৰ কাৰণেই—তুমি লাই দিয়াতহে তাইৰ সাহ ইমান বাঢ়িল।" সীতানাথে চিঞৰি কৈ থাকিল, তাই মোৰ সৰ্বনাশ কৰিহে এৰিব।"

সীতানাথৰ চিঞৰ-বাখৰ শুনি চুবুৰীয়া-হঁত তাত গোট খালেহি। সিহঁতে ৰং চাই থাকিল।

এই ঘটনাৰ পাছত খঙে-দুখে-অভিমানে সীতানাথে ঘৰত খোৱা-বোৱা বন্ধ কৰিলে। চুবুৰীয়াহঁতে এই কথাটোও জানি গ'ল। সীতানাথৰ ঘৈণীয়েকে এই কথা কৈ কৈ কান্দিবলৈ ধৰিলে। দুদিন নোখোৱাকৈ থকাৰ পাছত সীতানাথে পুনৰ ঘৰত খোৱা-বোৱা কৰিবলৈ ধৰিলে, ঘৈণীয়েক আৰু পুতেকেও স্বস্তিৰ উশাহ এৰিলে।

এইবোৰ ঘটনা ঘটি থকাৰ সময়-ছোৱাত সীতানাথৰ প্ৰতিবেশী ৰামনাথ ঘৰত নাছিল। ৰামনাথ গৈছিল নগৰলৈ কিবা কামত। সাতদিনৰ পাছত ঘৰলৈ উভতি অহাৰ লগে লগে সীতানাথৰ ঘটনাৰ কথা শুনিলে।

কথা আচৰিতেই, তথাপি এই কথাযাৰ সঁচা যে, ৰামনাথৰ ঘৰৰপৰাও দহটা ৰূপৰ মুদ্ৰা হেৰাল। ৰামনাথে তাৰ পৰিবাৰক ৰামনাথৰ পৰিবাৰ পদ্মাই ক'লে, "ওহোঁ, মই নিয়া নাই।"

সীতানাথৰ ঘৰত কাম-বন কৰা ছোৱালী বৰাইজনীয়ে ৰামনাথৰ ঘৰতো কাম-বন কৰিছিল। ৰামনাথৰ পৰিবাৰ পদ্মাই ৰামনাথক ক'লে, "চোৰ্‌া, আমাৰ বৰায়ে হেনো এতিয়া চুৰি-চাপাচিত ধৰিছে। তোমাৰ বন্ধু সীতানাথৰ পৰিবাৰে কথাযাৰ ক'লে মোক সিদিনা। তুমি তাইক আওপাকে সুধিবাচোন কথাটো।"

"তাইক—আমাৰ ঘৰতো চুৰি-তাৰি

কৰা দেখিছানে ?” ৰামনাথে সুধিলে।

“ওহোঁ।” পদ্মাই মূৰ জোকাৰিলে।

“চোৱাঁ, কামকৰা মানুহজনীক অলপ মৰম কৰিলে তাই আৰু কেতিয়াও চুৰি নকৰে। কিন্তু বেছিকৈ কাম কৰাই যিহঁতে কমকৈ পইচা দিয়ে—সিহঁতৰ ঘৰৰপৰাহে ইটো-সিটো লৈ যায়।”

পদ্মাই খণ্ডতে সুধিলে, “সেই বুলি তুমি তাইক কথাটো নোসোধানে কি ?”

“নোসোধোঁ। নোসোধাৰ কাৰণ আছে। ধৰাঁ, যদি তাই আমাৰ ৰূপৰ মুদ্ৰা-কেইটা নিয়া নাই, চুৰ কৰা নাই যদি—মই তেনেকৈ সুধিলে তাই বেয়া নাপাবনে ? তাই ভাবিব ঃ ‘ইমান বিশ্বস্ততাৰে কাম কৰা সত্বেও গৃহস্থই মোক সন্দেহ কৰিছে’ ! তাই যদি চুৰি কৰিছেও—নিশ্চয় স্বীকাৰ নকৰে ; আৰু যদি চুৰি কৰা নাই—তেনেহ’লে এতিয়াৰপৰা চুৰি কৰিব।” ৰামনাথে পৰিবাৰক বুজাই ক’লে।

ৰামনাথৰ কথা শুনি তাৰ পৰিবাৰ পদ্মাই ক’লে, “তুমি যে কেনেকুৱা মানুহ মই আজিপৰ্য্যন্ত নুবুজা হৈয়েই থাকিলোঁ। দহটা ৰূপৰ মুদ্ৰা হেৰুৱায়ো তোমাৰ দেখিছোঁ একো উদ্বেগ নাই, অথচ চাৰিটা মাত্ৰ মুদ্ৰা হেৰুৱাই সীতানাথে কিখন হৈ-হুলস্থুল লগালে। আনকি তেওঁ দুদিন নোখোৱাকৈ আছিল, জানানে ?”

“হয়নে ? তেনেহ’লে—ব’লাচোন



সীতানাথৰ ঘৰলৈ যাওঁ, কি হ'ল চাই আহোঁগৈ।" ৰামনাথে পদ্মাক ক'লে।

ৰামনাথ আৰু তাৰ পৰিবাৰক দেখা পায়েই সীতানাথে সাগ্ৰহৰে কৈ উঠিল, "আহঁা আহঁা ৰামনাথ—ইমানদিন ক'ত আছিলানোগৈ ?"

ৰামনাথে ক'লে, "দখিণতুৰাৰ গাঁৱলৈ গৈছিলোঁ—অলপ কাম আছিল তাত। যি কি নওহক—তাৰপৰা আহিয়েই তুখলগা সম্বাদটো শুনিলোঁ। পালানে বিচাৰি তোমাৰ সেই ৰূপৰ মুদ্ৰা চাৰিটা ? কি কৰিলানো শেহলৈ ?"

"কীনো কৰিম ? পৰিবাৰৰ ওপৰত খং জাৰিলোঁ, ল'ৰাটোকো গালিছালি পাৰিলোঁ, দুটা দিন নোখোৱাকৈ থাকিলোঁ—এইবোৰ হ'ল আৰু।" সীতানাথে ক'লে।

"বোলোঁ—মুদ্ৰা চাৰিটা পালানে বিচাৰি ?" ৰামনাথে সীতানাথক সুধিলে।

"নাই পোৱা। পিছে—ইমান গুৰুত্বৰে সুধিছা কিয় কথাটো ?" সীতানাথে অবাক হৈ প্ৰশ্ন কৰিলে ৰামনাথক।

"নহয়—মানে—তুমি যদি পাইছা—তেনেহ'লে ময়ো মোৰ পৰিবাৰৰ ওপৰত খং জাৰিম, ল'ৰাটোক ডবিয়াম আৰু চাৰিদিনমান নোখোৱাকৈ থাকিম বুলি ভাবিছিলোঁ। কিয়নো—মোৰো কিছুমান মুদ্ৰা হেৰাল। তুমি ইমানবোৰ কাণ্ড কৰিও তোমাৰখিনি ঘূৰাই পাইছা বুলি জনাহেঁতেন ময়ো তাকে কৰিলোহেঁতেন।" এই বুলি কৈ, পৰিবাৰক লৈ ৰামনাথ গুচি গ'ল।

সীতানাথ আৰু ৰামনাথৰ মাজত হোৱা কথা-বতৰাখিনি শুনি পদ্মাই বুজি পোৱা হ'ল যে নিৰৰ্থকভাৱে খৰৰ দৰব খুখুন্দত ঘঁহাতকৈ—চিঞৰ-বাখৰ কৰি থকাতকৈ—নিজৰ ত্ৰুটিখিনি শুধৰাই লোৱাহে ভাল।



৪

অলৌকিকভাৱে পৰ্বতৰ খাদত পৰি মৃত্যুৰ গৰাহৰপৰা বীৰপুৰলৈ গৈ থকা সুবাহু ৰক্ষা পৰিল। মগনিয়াৰৰ ভাও লৈ সুবাহুৱে কথমপি সৰ্পকেতুৰ সৈন্যবাহিনীৰ তথা গাঁওবাসীবো হাত সাৰিলে। সৰ্পকেতুৰ সৈন্যইতে ছল-বল-কৌশলেৰে বীৰপুৰৰ প্ৰাসাদৰ ঘাই দুৱাৰ খুলি নগৰলৈ সোমালগৈ। লগে লগে সুবাহুৱে চন্দ্ৰবৰ্মাক আক্ৰমণৰ বাতৰি দিবলৈ তীব্ৰ গতিৰে গৈ থাকিল ৰাজপ্ৰাসাদলৈ বুলি। সুবাহুক ধৰিবলৈ সৰ্পকেতুৰ সৈন্যইত খেদি গ'ল।

তাৰ পাছত……

প্ৰতি মুহূৰ্ততে সুবাহুৱে সৰ্পকেতুৰ সৈন্যহঁতৰপৰা আক্ৰমণৰ আশংকা কৰি আছিল। সিহঁত এতিয়া নিচেই ওচৰ চাপি আহিছে। মাথোন ওচৰ চাপি অহাই নয়, যেনিবা সিহঁতৰ উশাহ-নিশাহৰ শব্দও শুনিছে সি। আনকি, মুহূৰ্তৰ বাবে পিছলৈ ঘূৰি চোৱাৰ সময়ো তাৰ নাই। সুবাহুৱে তাৰ সমস্ত শক্তিৰে ঘোঁৰা চেকুৰাই ৰাজপ্ৰাসাদলৈ বুলি গৈ থাকিল আগ-পিছ একো নাভাবি-নুগুণি।

বিপদ। অলপো পলম নকৰিব, যুৱৰাজ। সৰ্পকেতুৰ সৈন্যহঁতে আমাক আক্ৰমণ কৰিছেহি। শীঘ্ৰে উঠক।”

সুবাহুৰ চিঞৰ শুনি চন্দ্ৰবৰ্মাৰ টোপনি টুটিল। তেওঁ কক্ষৰ দুৱাৰ খোলাৰ লগে লগেই কোলাহল, আৰ্তনাদ আৰু জয়-ধ্বনিৰ শব্দ তেওঁৰ কাণত পৰিল। তেওঁ সুবাহুক ইংগিতেৰে মাতি প্ৰাসাদৰ ছাদলৈ গ'ল। সুবাহুৱে চন্দ্ৰবৰ্মাক ক'লে, “যুৱৰাজ, সৰ্পকেতুৰ সৈন্যহঁতে কৌশলেৰে নগৰৰ তোৰণদ্বাৰ খুলি সোমাই আহিল। আপুনি আমাৰ সৈন্যসকলক কথাটো এতিয়াই জনাই দিয়ক। সৰ্পকেতুৰ সৈন্যহঁতে নিশ্চয় এতিয়া প্ৰাসাদ অৱৰোধ কৰিছে। সিহঁত যাতে প্ৰাসাদৰ ভিতৰলৈ সোমাব নোৱাৰে তাৰ বাবে এই মুহূৰ্ততে ব্যৱস্থা হাতত লওক।”

কেইমুহূৰ্তমানৰ বাবে চন্দ্ৰবৰ্মা শিলৰ মূৰ্তিৰ দৰে স্থিৰ হৈ থিয় হৈ থাকিল। তেওঁ যে কি কৰিব কি নকৰিব—একো ভাবি উলিয়াব নোৱাৰিলে। কিন্তু পাছমুহূৰ্ততে ৰাজপ্ৰাসাদৰ চাৰিওফালে থকা ঘৰ-দুৱাৰবোৰ জুইৰে জ্বলি থকা দেখি, মানুহৰ আৰ্তনাদ আৰু মৃত্যু-যাতনাৰ চিঞৰ শুনি আচ্ছন্নৰ দৰে হৈ থকা যুৱৰাজ চন্দ্ৰবৰ্মাই যেনিবা আচম্বিতে

সুবাহুৱে প্ৰাসাদৰ দুৱৰীক চিংকাৰ কৰি ক'লে, “মোৰ নাম সুবাহু। মোক প্ৰাসাদৰ ভিতৰলৈ যাবলৈ দিয়া। মোক ধৰিবলৈ সৰ্পকেতুৰ সৈন্যহঁত খেদি আহিছে, চোৱা।” এই বুলি চিঞৰি চিঞৰি কৈয়েই বিজুলী গতিৰে সুবাহু প্ৰাসাদৰ ভিতৰলৈ সোমাই গ'ল।

সূৰ্য্যবৰ্মাৰ প্ৰাসাদৰ দুৱৰীহঁতে সিহঁতৰ সাধ্যানুসৰি ধূৰ্ত সামন্ত সৰ্পকেতুৰ সৈন্যহঁতক বাধা দিবলৈ ধৰিলে।

আৰু চন্দ্ৰবৰ্মাৰ শয়নকক্ষৰ দুৱাৰত থিয় হৈ সুবাহুৱে চিঞৰি মাতিলে, “যুৱৰাজ, শীঘ্ৰে ওলাই আহক, ভয়ংকৰ

সম্বিৎ ঘূৰাই পালে।

চন্দ্ৰবৰ্মাই সুবাহুলৈ চাই ক'লে, "দেউতা ক'ত আছেগৈ? তুমি তেওঁৰ লগত মহাৰাজ যশোবৰ্ধনৰ ওচৰলৈ নগৈছিলা জানো?"

চন্দ্ৰবৰ্মাৰ এই প্ৰশ্নৰ উত্তৰত সুবাহুৱে যে কী ক'ব ভাবি নোপোৱা হ'ল। ঠিক এই মুহূৰ্তত সি আচল কথা ভাঙি-পাতি নোকোৱাটোকে স্থিৰ কৰিলে। সুবাহুৱে ভাবিলেঃ এতিয়া সৰ্পকেতুৰ সৈন্যহঁতক খেদি পঠোৱাটোৱে প্ৰথম কাম। তাৰ পাছত প্ৰকৃত ঘটনাৰ কথা চন্দ্ৰবৰ্মাক্ ক'লেও হ'ব। এই কথা ভাবি সুবাহুৱে মনৰ দুখ চকুত প্ৰকাশ নকৰি ক'লে, "যুৱৰাজ, আপোনাৰ পিতৃদেৱ বীৰপুৰৰ বাটতে আছে। কিন্তু এই মুহূৰ্তত আপোনাৰ কৰ্তব্য হ'ল ৰাজপ্ৰাসাদত সোমোৱা সৰ্পকেতুৰ সৈন্যহঁতক ৰাজপ্ৰাসাদ তথা আমাৰ ৰাজ্যৰ সীমাৰপৰা বিতাড়িত কৰা আৰু সিহঁতক প্ৰাণপণে বাধা দিয়াৰ লগে লগে মাৰি-কাটি খতম কৰা।"

এনেতে শত্ৰুপক্ষৰ সৈন্যহঁতৰ হৈ-চৈ শুনা গ'ল। এই শব্দ তথা কোলাহল শুনি চন্দ্ৰবৰ্মাই দ্ৰুতগতিৰে নামি আহি তেওঁৰ শয়নকক্ষত সোমাই দুখন তৰোৱাল উলিয়াই আনি খন্তেকমান ভাবি লৈ এখন তৰোৱাল নিজে ল'লে, আৰু আন এখন সুবাহুক দিলে।

হঠাৎ যুৱৰাজক কোনোবাই মাতিলে। চাওঁতে চাওঁতে বীৰপুৰৰ সেনাপতি ধীৰ-মল্লই অতি দ্ৰুতগতিৰে চন্দ্ৰবৰ্মাৰ ওচৰ চাপি তেওঁক ক'লেহি, "যুৱৰাজ, 'আমি বিপদগ্ৰস্ত। মহাৰাজ যশোবৰ্ধনে যে কিয় আমাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে মই তাৰ ব্যাখ্যা বিচাৰি পোৱা নাই। তেওঁৰ সৈন্যহঁতে আমাৰ নগৰ আক্ৰমণ কৰি আমাৰ প্ৰজাবৰ্গৰ .বহুতৰে ঘৰত জুই লগাই দিছে, লুটপাত চলাইছে। তাতোকৈ আচৰিত কথা, আমাৰ প্ৰজা-

ইঁতৰ মাজত কিছুমানে লুটপাত চলোৱাত শত্ৰুসৈন্যক সহায় কৰা দেখা গৈছে। এতিয়া এই বিচিত্ৰ পৰিস্থিতিত আমাৰ যে কী কৰ্তব্য, আপোনাৰপৰা সেই নিৰ্দেশ বিচাৰি আহিছোঁ।”

মহাৰাজ যশোবৰ্ধনৰ সৈন্যইঁতে আক্ৰমণ কৰাৰ কথা শুনি চন্দ্ৰবৰ্মাই হতবাক হৈ ক'লে, “কি কয়নো, সেনাপতি ডাঙৰীয়া!” ই ও সম্ভৱনে বাৰু?

তেতিয়া সুবাহুৱে ক'লে, “যুৱৰাজ সেই সৈন্যইঁত মহাৰাজ যশোবৰ্ধনৰ সৈন্য নহয়। ধূৰ্ত সৰ্পকেতুৱে নিজৰ সৈন্যইঁতক মহাৰাজ যশোবৰ্ধনৰ সৈন্যৰ সাজ-পাৰ পিন্ধাই আৰু বীৰপুৰীয়া প্ৰজাৰ ভেশত ইয়ালৈ লৈ আহিছে। এই কৌশলেৰে সি সকলোটিৰ চকুত বালি মাৰিব পাৰিছে। আৰু—আমাৰ সেনাপতি ডাঙৰীয়াই কোৱা সেইষাৰ কথাও সঠিক নহয় যে কিছুমান বীৰপুৰৰ প্ৰজাই শত্ৰু-সৈন্যক সহায় কৰিছে। আচল ঘটনা হ'ল যে—লুটপাত কৰা বস্তুৰ ভাগ দিব বুলি লোভ দেখুৱাই কিছুমান প্ৰজাক মহাধূৰ্ত সামন্ত সৰ্পকেতুৱে কৌশলেৰে কামত লগাইছে।”

সুবাহুৰ কথা শুনি সেনাপতি ধীৰমল্ল অবাক হ'ল। তেওঁ লাহেকৈ কৈ উঠিল, “বোধকৰোঁ সুবাহুৰ কথাহে সঠিক। নিজৰ কাৰ্য্যসিদ্ধিৰ বাবে সৰ্পকেতুৱে কৰিব নোৱৰা কাম জগতত নাই। সি তাৰ মনোমত কাৰ্য্যসিদ্ধিৰবাবে বহু তললৈ নামিব পাৰে। সম্ভৱতে মাহিষ্মতী নগৰত সমবেত হোৱা বিভিন্ন দেশৰ ৰজা মহা-ৰাজসকলকো সি অনায়াসে বিপাঙত পেলাব পাৰে।”

“সেনাপতি ডাঙৰীয়া, এতিয়া আমি যি বিপদৰ সম্মুখীন হৈছোঁ, তাৰ বিষয়ে আমাৰ সৈন্যসকলক সচেতন কৰাটো মুহূৰ্ততৰ আটাইতকৈ জৰুৰী কাম। কোনে প্ৰকৃততে আমাক আক্ৰমণ কৰিছে, আৰু

সিহঁতৰ নেতা কোন—এই কথা আমাৰ সৈন্যসকলক জনাব লাগে। সিহঁতক বিতাড়িত কৰাটোহে হ'ব আমাৰ প্ৰথম আৰু প্ৰধান কাৰ্য্য।" এই বুলি কৈ সুবাহুৱে যুৱৰাজ চন্দ্ৰবৰ্মালৈ চালে।

চন্দ্ৰবৰ্মাই সুবাহুক সমৰ্থন কৰি ক'লে, "সেনাপতি, ৰাজপ্ৰাসাদ ৰক্ষা কৰাটোহে হ'ল আপোনাৰ প্ৰথম কৰ্তব্য। সেই বিষয়ে কিবা ব্যৱস্থা গ্ৰহণ কৰিলেনে?"

"মহাৰাজ যশোবৰ্ধনৰ নামত জয়ধ্বনি দি বহুসংখ্যক অস্ত্ৰধাৰী সৈন্যই ৰাজপ্ৰাসাদ প্ৰাংগণত সোমাই আহিবলৈ চেষ্টা কৰোঁতে মই সিহঁতক বিতাড়িত কৰিবলৈ আদেশ দিছোঁ। সিহঁতক বিতাড়িত কৰা হৈছে। সিহঁত যে আচলতে সৰ্পকেতুৰ সৈন্য সেই কথাটো সুবাহুৱে আমাৰ সৈন্যহঁতৰ মাজত আগতেই প্ৰচাৰ কৰি দিছিল। তাৰ কাৰণেহে সিহঁতক বিতাড়িত কৰা সম্ভৱ হৈছে।" সেনাপতি ধীৰমল্লই ক'লে।

এই কথা শুনি উৎসাহিত হৈ চন্দ্ৰবৰ্মাই ক'লে, "ৰাজপ্ৰাসাদ পহৰা দিবলৈ কিছুমান সৈন্যক দায়িত্ব দি, অন্যান্য সৈন্যক লৈ আমি শত্ৰু বিতাড়ন কৰিবলৈ জঁপিয়াই পৰোঁগৈ ব'লক। এই কামত এতিয়া আৰু অধিক সময় ধৰি আলোচনা-বিলোচনা কৰাৰ প্ৰয়োজন নাই।"

"শত্ৰুহঁতক বিতাড়িত কৰিবলৈ কটকটীয়া ব্যৱস্থা কৰিছোঁৰেই, যুৱৰাজ। পিছে—সিহঁতে মহাৰাজ যশোবৰ্ধনৰ নামত জয়ধ্বনি দিয়াতহে মই আপোনাৰপৰা পৰামৰ্শ তথা আদেশ ল'বলৈ আহিছিলোঁ, কিয়নো আমাৰ ৰজা সূৰ্য্যবৰ্মাদেউ তো সম্প্ৰতি ইয়াত উপস্থিত নাই।" ধীৰমল্লই ধীৰে ধীৰে কথাখিনি চন্দ্ৰবৰ্মাক ক'লে।

ইতিমধ্যে নগৰৰ বিভিন্ন অট্টালিকা জ্বলি থকা দেখা গ'ল। কেৱল ৰাজপ্ৰাসাদৰ আশে-কাষেই নহয়, বহু দূৰৰ ঘৰ-দুৱাৰতো জুই জ্বলি থকা দেখা গ'ল। অসংখ্য মানুহৰ কাতৰ আৰ্তনাদে আকাশ-



বতাহ প্ৰকম্পিত কৰি তুলিলে।

এইবোৰ দেখি চন্দ্ৰবৰ্মাই হুমুনিয়াহ কাঢ়িলে। তেওঁ এঠাইত চাৰি-পাঁচশ অস্ত্ৰধাৰী আৰু অশ্বাৰোহী সৈন্যক নিৰ্দেশৰ বাবে বৈ থকা দেখা দেখা পালে।

পঞ্চাছজন অস্ত্ৰধাৰী আৰু অশ্বাৰোহী সৈন্যক তাত থৈ, বাদবাকী সৈন্যক দুভাগত ভগাই লৈ, এভাগৰ দায়িত্ব সেনাপতি ধীৰমল্লৰ ওপৰত অৰ্পণ কৰি চন্দ্ৰবৰ্মাই ধীৰমল্লক ক'লে, "সেনাপতি, আপুনি প্ৰাসাদ পাৰ হৈ ৰাজআলিয়েদি পূবৰ ফালে গৈ থাকক। মই এওঁলোকক লৈ পচিমৰ ফালে যাত্ৰা কৰিম। পচিমৰ-পৰা মই আৰু পূবৰপৰা আপুনি অৰ্ধ-চন্দ্ৰাকাৰে শত্ৰুক খেদি-মাৰি-কাটি উত্তৰ দিশত থকা তোৰণদ্বাৰ পামগৈ। যদি আন কিবা ঘটে—তেতিয়া উপস্থিত বুদ্ধি খটুৱাই কাম কৰিব লাগিব। সম্প্ৰতি মই আন একো ভাবি পোৱা নাই।"

"যি আজ্ঞা যুৱৰাজ! পিছে—মোৰ সনিৰ্বন্ধ অনুৰোধ, আপুনি যেন বিপদক আঁকোৱালি নলয়, বিপদৰ মাজত সোমাই নপৰে। শত্ৰুসৈন্য যে সংখ্যাত কিমান এতিয়াও বুজি উঠিব পৰা নাই। ৰাতি ঠিকমতে পুৱালেহে বুজিব পাৰিম।" সেনাপতি ধীৰমল্লই ক'লে।

"এই বিষয়ে যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লাগিব।" এই বুলি কৈ, চন্দ্ৰবৰ্মা আগবাঢ়িল।

অলপ পাছত পূবে ধলফাট দিলে। চন্দ্ৰবৰ্মাৰ লগে লগে সুবাহুও গৈ আছিল। সুবাহুৱে জ্বলি থকা ঘৰবিলাকলৈ আঙুলিয়াই চন্দ্ৰবৰ্মাক ক'লে, "যুৱৰাজ, সৰ্পকেতুৰ চক্ৰান্ত যে ভালেখিনিলৈ সফল হৈছে, এইবোৰ হ'ল তাৰ জ্বলন্ত প্ৰমাণ। তাৰ সৈন্যইতৰ মাজত শিক্ষিত সৈন্যৰ সংখ্যা নিচেই নগণ্য। সৰহভাগেই লুটপাত কৰাৰ আশাৰেহে আহিছে। কিছুমানক আমি নিৰ্মমভাৱে মাৰি পেলাব

পাৰিলেহে আনবিলাকে ফৰিংছিটিকা দিব। আপোনাৰ মত কি এই বিষয়ে ?”

সুবাহুৰ এই পৰামৰ্শত চন্দ্ৰবৰ্মাই ভালেই পালে। তেওঁ তেওঁৰ সৈন্যহঁতক নিৰ্দেশ দিলে শত্ৰুসৈন্যক মাৰি পেলাবলৈ। চন্দ্ৰবৰ্মাৰ নিৰ্দেশত অশ্বাৰোহী সৈন্যহঁতে খেদি গৈ সৰ্পকেতুৰ সৈন্যহঁতৰ মাজত কেইটামানক ঘচংকৈ কচুকটা দিয়াত আন কিছুমানে আৰ্তনাদ কৰি চিঞৰি চিঞৰি ক'লে, “সূৰ্যবৰ্মাৰ সৈন্য—সূৰ্যবৰ্মাৰ সৈন্য আহিল !”

এইযাৰ কথাই শত্ৰুসৈন্যৰ পৰিস্থিতিক সম্পূৰ্ণ সলাই দিলে। বিশেষকৈ, লুটপাত কৰিবলৈ অহাহঁত থৰকাছুটি হেৰুৱাই পলাই যাবলৈ ধৰিলে।

শত্ৰুসৈন্য ছেদভদ হোৱা দেখি চন্দ্ৰবৰ্মা উৎসাহিত হৈ উঠিল। তেওঁ তেওঁৰ সৈন্যসকলৰ মাজত আধামানক পলাই যাবলৈ ধৰা শত্ৰুসৈন্যক খেদিবলৈ নিৰ্দেশ দিলে আৰু আন সৈন্যসকলক ক'লে, লুকাই থকা সৰ্পসৈন্যক বিচাৰি উলিয়াই হত্যা কৰিবলৈ।

এইদৰে, চাৰিওফালৰপৰা আক্ৰান্ত হৈ সৰ্পকেতুৰ সৈন্যহঁত পৰ্যুদস্ত হৈ পৰিল। সিহঁতে তেতিয়া ফেটীসাপৰ মূৰ ছিঙা লৰ দি ৰাজআলিয়েদি পলাবলৈ



ধৰিলে। শত্ৰুসৈন্যক এইদৰে মুকলিত পাই চন্দ্ৰবৰ্মাৰ সৈন্যহঁতে ঘপাঘপ্ কাটিবলৈ ধৰিলে। চন্দ্ৰবৰ্মাৰ সৈন্যসকলে প্ৰতি মুহূৰ্ততে ৰজা সূৰ্যবৰ্মাৰ নামত জয়ধ্বনিৰে গগন ফালি আৰু শত্ৰুসৈন্যৰ মনতো কঁপনি তুলি আগবাঢ়ি যাবলৈ ধৰিলে। স্বয়ং চন্দ্ৰবৰ্মাই যুদ্ধ পৰিচালনা কৰা দেখি প্ৰজাবৰ্গৰ মাজতো উৎসাহৰ জোৱাৰ উঠিল। প্ৰজাবৰ্গয়ো পলায়মান শত্ৰুসৈন্যক দা জোং যাঠিৰে আক্ৰমণ কৰিলে। আৰু এইদৰে, শত্ৰুসৈন্যক ক্ষত-বিক্ষত কৰি চন্দ্ৰবৰ্মাই সসৈন্যে উত্তৰ দিশত থকা তোৰণদ্বাৰ পালেগৈ। তেতিয়া

ধীৰমল্লয়ো তালৈকে আহি আছিল।

ধীৰমল্লই চন্দ্ৰবৰ্মাক ক'লেহি, "যুৱৰাজ, আমি ইয়াত আৰু পলম নকৰি ৰাজপ্ৰাসাদলৈ উভতি যোৱাটোহে উচিত হ'ব। সৰ্পকেতুৱে পুনৰ সৈন্যসজ্জা কৰি আমাক আক্ৰমণ কৰিবহি পাৰে। আমাৰ কিল্লা (অৰ্থাৎ দুৰ্গ) ৰক্ষা কৰাটোহে এতিয়া আমাৰ প্ৰধান কাৰ্য্য। অৱশ্যে— নগৰৰ সীমাত থকা আমাৰ বীৰ সৈন্য-ইঁতৰপৰা সিহঁতে প্ৰথম আঘাত তথা বাধা পাব। তথাপি আমি এতিয়াৰেপৰাই সাৱধান হোৱা উচিত।"

সৰ্পকেতুৱে পুনৰ আক্ৰমণ কৰিবহি পাৰে বুলি শুনি চন্দ্ৰবৰ্মা দস্তুৰমত বিচলিত তথা চিন্তিত হৈ পৰিল। প্ৰথমৰ ফালে সৰ্পকেতুৱে মহাৰাজ যশোবৰ্ধনৰ নামত আক্ৰমণ চলাইছিল। কিন্তু এইবাৰ সি নিশ্চয় স্বমূৰ্তিৰে আবিৰ্ভূত হ'ব আৰু ধুমুহাৰ দৰে জঁপিয়াই পৰিবহি। তাৰ এইবাৰৰ আক্ৰমণ নিশ্চয় আগতকৈ অধিক বীভৎস হ'ব।

এইবোৰ কথা ভাবি চন্দ্ৰবৰ্মাই চকুৰ পচাৰতে তেওঁৰ ঘোঁৰাটোক ৰাজপ্ৰাসাদৰ পিনে চেঁকুৰাবলৈ ধৰিলে। তেওঁৰ পিছে পিছে গৈ থাকিল অশ্বাৰোহী, পদাতিক সৈন্য, সেনাপতি ধীৰমল্ল আৰু সুবাহু।

চন্দ্ৰবৰ্মাৰ অশ্বই বেগাই চেঁকুৰ ল'লে। তেতিয়া আৰু শত্ৰুসৈন্যক কচুকটা দিয়াৰ চেষ্টা কোনেও নকৰিলে।

প্ৰাসাদলৈ আৰু বৰ বেছি দূৰ নাই। কিন্তু তেতিয়াই তেওঁলোকৰ চকুত পৰিল শত্ৰুপক্ষৰ অশ্বাৰোহী আৰু পদাতিক সৈন্যই প্ৰাসাদৰ ঘাই দুৱাৰ ভাঙিবলৈ চেষ্টা কৰি থকাৰ দৃশ্য। আৰু মুহূৰ্তমানো পলম নকৰি চন্দ্ৰবৰ্মাই নিজৰ অশ্বাৰোহী আৰু পদাতিক সৈন্যসকলক শত্ৰুসৈন্যক দুৰ্বাৰ গতিৰে আক্ৰমণ কৰি পৰ্যুদস্ত কৰিবলৈ টানি নিৰ্দেশ দিলে। [অহা সংখ্যাত

খং নামে চণ্ডাল

পুনৰ প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি কান্ধত কটিয়াই লৈ নীৰৱে-নিমাতে শ্মশানলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, ৰজাসকলে মন কৰিলে নিজৰ কাম আনৰ দ্বাৰা কৰোৱাই ল'ব পাৰে। কিন্তু তুমি নিজৰ কাম নিজেই কৰা দেখি মই সঁচাকৈয়ে ৰং পাইছোঁ। পিছে সিদ্ধিলাভৰ আগে আগে তুমি সেই সৌগন্ধদেশৰ যুৰৰাজৰ দৰে ভুল নকৰিলেই ৰক্ষা। এই যুৰৰাজৰ কথা শুনি গৈ থাকিলে আন একো লাভ নহলেও তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ বেতালে; ক'বলৈ ধৰিলে ঃ

সৌগন্ধদেশৰ ৰাজকোঁৱৰ ৰূপসেনৰ

'বেতাল-কথা'

শিক্ষা-দীক্ষালৈ যথেষ্ট আগ্ৰহ-অনুৰাগ আছিল। কিন্তু ইমান গুণ থকা সত্বেও তেওঁৰ এটা ডাঙৰ ত্ৰুটিও আছিল। তেওঁৰ আছিল অতি উগ্ৰ খং। খং উঠিলে তেওঁৰ হিতাহিত জ্ঞান লুপ্ত হৈছিল। এই কথাত ৰজা গুণসেন অতি চিন্তিত হৈ পৰিছিল তেওঁৰ বৃদ্ধ বয়সত।

এদিন উদ্যানত পাইচাৰি কৰি থাকোঁতে ৰূপসেনে এগৰাকী মহিলাৰ সুমধুৰ গান শুনি ৰৈ দিলে। তেওঁ প্ৰহৰীহঁতক আদেশ কৰিলে গায়িকাক লৈ আহিবলৈ। এই গায়িকাগৰাকী আছিল মহাৰাণীৰ সখিয়েক চন্দ্ৰাৰতী।

ৰাজকোঁৱৰ ৰূপসেনে চন্দ্ৰাৰতীক ক'লে, "চন্দ্ৰাৰতী, তুমি ইমান শুৱলাকৈ গান গাব পাৰা বুলি মই নাজানিছিলোঁ। এই গান তুমি ৰচনা কৰিছানে?"

চন্দ্ৰাৰতীয়ে অতি বিনম্ৰভাৱে ক'লে, "এগৰাকী সংগীতশিক্ষকৰ গান শুনি মই শিকিছিলোঁ এই গান।"

"হয়নেকি? এনে মধুৰ সংগীতৰ স্ৰষ্টাৰ সৈতে চিনাকি হ'বলৈ মোৰ বৰ মন গৈছে।" ৰাজকোঁৱৰে সেই সংগীত শিক্ষক মতাই পঠিয়ালে।

ৰাজকোঁৱৰ ৰূপসেনে সংগীত শিক্ষকক সুধিলে, "হে আৰ্য্য, এনে সুমধুৰ সংগীতটিৰ স্ৰষ্টা আপুনিয়েইনে?"

সংগীতশিক্ষকে ক'লে, "নহয় যুৱৰাজ, এই গীতটি মোৰেই এগৰাকী কবি-বন্ধুয়ে লিখা। মই সুৰসৃষ্টি কৰিছোঁ মাথোন।"

ৰূপসেনে কবিগৰাকীক মতাই অনাই গীতটিৰ বিষয়ে সোধাত গীতৰ ৰচক কবিগৰাকীয়ে ক'লে, "যুৱৰাজ, গীতটো যদি সঁচাকৈয়েই ইমান ভাল, তাৰ কৃতিত্ব কিন্তু মোৰ নহয়। মোৰ এগৰাকী চিত্ৰ-শিল্পী বন্ধু আছে, তেওঁৰ নাম বসন্তমিশ্ৰ। তেওঁ অঁকা এগৰাকীৰ যুৱতীৰ ৰূপ-লাৱণ্য দেখিহে মই এই গীতটি লিখিছিলোঁ।"

তেতিয়া সেই চিত্ৰশিল্পীগৰাকীকো

ৰাজকোঁৱৰ ৰূপসেনে মতাই অনালে। শিল্পীয়ে তেওঁৰ আঁকা সেই চিত্ৰখনো লৈ আহিছিল। চিত্ৰখনলৈ চাই ৰূপসেনে অপলক দৃষ্টিৰে চাই ৰ'ল। তাৰ পাছত চিত্ৰশিল্পীক ক'লে, "শিল্পী, আপোনাৰ এই চিত্ৰ কল্পনাশ্ৰিতনে বাস্তৱ ?'

চিত্ৰশিল্পী বসন্তমিশ্ৰই ক'লে, "মহামান্য যুৱৰাজ, প্ৰকৃতপক্ষে এই যুৱতীগৰাকী হ'ল সুৱৰ্ণপুৰৰ জমিদাৰৰ কন্যা। তেওঁৰ নাম স্বৰ্ণমঞ্জৰী। মই তেওঁক এক মন্দিৰত দেখা পাইছিলোঁ। তেওঁক দেখাৰ পাছৰপৰা এই চিত্ৰ সম্পূৰ্ণ নকৰালৈকে মই স্থিৰ হ'ব পৰা নাছিলোঁ।"

এই কথা শুনাৰ পাছত ৰূপসেনে স্বৰ্ণমঞ্জৰীক দেখাৰ বাবে উতলা হৈ অনুচৰ এজনক পঠালে। কিন্তু অনুচৰজনে স্বৰ্ণমমঞ্জৰীক লৈ আহিব নোৱাৰিলে। কিয়নো, মাত্ৰ সাত দিনৰ আগতে স্বৰ্ণমঞ্জৰীৰ বিবাহ হৈ গৈছিল।

এই সংবাদ শুনিয়েই ৰূপসেন ক্ৰোধত আত্মবিস্মৃত হ'ল। তেওঁ তৎক্ষণাৎ সীমাহীন ক্ৰোধত জ্বলি-পকি চন্দ্ৰাৱতী, সংগীতশিক্ষক, কবি, আৰু বসন্তমিশ্ৰক কাৰাগাৰত নিক্ষেপ কৰিলে। তেওঁলোকৰ অপৰাধ যে কী—সেই কথা সোধাৰ দাঁত কৰো নাছিল।

তাৰ পাছত এবছৰ উকলিল। ৰাজকোঁৱৰ ৰূপসেনে এই ঘটনাৰ কথা

পাহৰি গ'ল। কিন্তু নিৰ্দোষী মানুহকেইজন কাৰাগাৰতে কাল কটাবলৈ ধৰিলে।

সৌগন্ধদেশৰ গাতে লগা আন এখন দেশ আছিল। এই দেশখনৰ নাম আছিল জয়ন্তদেশ। এই দেশৰ ৰজাই বছৰেকত এবাৰকৈ উৎসৱ পাতিছিল।

অন্যান্য বছৰৰ দৰে, এই বছৰতো আমন্ত্ৰিত হৈ ৰাজকোঁৱৰ ৰূপসেন জয়ন্ত দেশৰ উৎসৱত যোগদান কৰিবলৈ গ'ল।

তাত এঠাইত গীত-বাদ্য চলি আছিল। ৰাজকোঁৱৰ ৰূপসেনে তাত এগৰাকী যুৱতীক দেখা পালে আৰু যুৱতীগৰাকীৰ ৰূপ-লাৱণ্য তথা মুখসৌন্দৰ্য্য দেখি বিমুগ্ধ হৈ পৰিল।

ৰূপসেনে এই যুৱতীগৰাকীৰ সম্পৰ্কে জয়ন্তদেশৰ যুৱৰাজ প্ৰমত্তক সোধাত প্ৰমত্তই ৰূপসেনক ক'লে, "তেওঁ আপোনাৰ দেশৰে। তেওঁৰ নাম স্বৰ্ণমঞ্জৰী। তেওঁ হ'ল সুৱৰ্ণপুৰৰ জমিদাৰৰ একমাত্ৰ কন্যা। আমাৰ নবীন নামৰ সুবিখ্যাত গায়ক এগৰাকীৰ সৈতে স্বৰ্ণমঞ্জৰীৰ বিবাহ হ'ল। তেওঁৰ নিচিনা গুণৱতী এগৰাকীক আমাৰ দেশত পাই আমিও ধন্য মানিছোঁ।"

ৰাজকোঁৱৰ ৰূপসেনৰ মনত পৰি গ'ল অতীতৰ ঘটনা। কিন্তু—পাছ মুহূৰ্ততে তেওঁ ভাবিলে ঃ স্বৰ্ণমঞ্জৰী এতিয়া আন এখন দেশৰ নাগৰিক, তদুপৰি বিবাহিতা। এনেবোৰ কথা ভাবি ৰূপসেনে বহু কষ্টেৰে তেওঁৰ ক্ৰোধ সম্বৰণ কৰিলে।

সংগীতানুষ্ঠান শেষ হোৱাৰ অন্তত স্বৰ্ণমঞ্জৰীৰ সৈতে কথা পতাৰ মন গ'ল ৰূপসেনৰ। স্বৰ্ণমঞ্জৰীৰ লগত তেওঁৰ স্বামীও আছিল। ৰূপসেনৰ ইচ্ছা পূৰণ হ'ল। তেওঁ স্বৰ্ণমঞ্জৰীৰ সৈতে কিছুপৰলৈকে কথা পাতিলে। স্বৰ্ণমঞ্জৰী আছিল স্বল্পভাষী। তেওঁৰ মুখমণ্ডলত লাৱণ্য আছে; কিন্তু লগতে অতি কঠিন দৃঢ়তাও আছে। স্বৰ্ণমঞ্জৰীৰ সৈতে কথা পতাৰ অন্তত ৰূপসেন নিজৰ দেশৰ ৰাজ-

ধানীলৈ উভতি গ'ল। ৰাজধানী পায়েই—এবছৰৰ আগতে কাৰাগাৰলৈ নিক্ষেপ কৰা মানুহকেইজনক তেওঁ মুক্ত কৰিলে। কেৱল মুক্ত কৰিয়েই তেওঁ ক্ষান্ত নাথাকিল, তেওঁ তেওঁলোকৰ লগত অতি সন্মানজনক আচৰণ কৰিলে, আৰু অতীতৰ ঘটনা তথা অপৰাধৰ বাবে তেওঁলোকৰপৰা ক্ষমা প্ৰাৰ্থনা কৰিলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, ৰূপসেনৰ চৰিত্ৰত এই অভূতপূৰ্ব পৰিৱৰ্তনৰ হেতু কি? চিত্ৰত দেখা যুৱতীক বাস্তৱত দেখা পাই, কথা পাতি, তেওঁৰ মনত কিনো পৰিবৰ্তন ঘটিছিল—যাৰ ফলত তেওঁ নিজ দেশলৈ উভতি গৈয়েই আটাইকেইজনক মুক্তি দিলে আৰু তেওঁলোকৰপৰা ক্ষমা প্ৰাৰ্থনা কৰিলে? এই প্ৰশ্নৰ উত্তৰ জনা সত্বেও যদি সঠিককৈ নিদিয়া তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব বুলি জানিবা।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "ৰূপসেনৰ মাজত পূৰ্বজন্মৰ সংস্কাৰ বিদ্যমান আছিল। পিছে—এই সংস্কাৰ আছিল মেঘে ঢকা জোনৰ দৰে। আকাশত ক'লীয়া মেঘ থাকিলে জোনৰ পোহৰ দেখা পোৱা নাযায়; কিন্তু মেঘ আঁতৰ হ'লেই জোনৰ পোহৰ বিয়পি পৰে। ঠিক সেইদৰেই, ৰাজকোঁৱৰ ৰূপসেনৰ অৱচেতন মনত থকা মাৰ্জিত ৰূপটি স্বৰ্ণমঞ্জৰীৰ সৈতে কথা পতাৰ পাছত ক্ৰোধৰ অমাৰ্জিত ডাৱৰ ভেদ কৰি ওলাই পৰিল। স্বৰ্ণমঞ্জৰীৰ পৰিশীলিত আচাৰ-আচৰণেই আছিল ৰাজকোঁৱৰ ৰূপসেনৰ মনৰ এই পৰিৱৰ্তনৰ হেতু।"

বেতালৰ প্ৰশ্নৰ এই উত্তৰ দিয়াৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ অতি দ্ৰুততাৰে সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

শ্ৰেষ্ঠত্বৰ যোগ্যতা

কোশলদেশৰ ৰাজধানীৰ ওচৰত এডৰা অটব্য অৰণ্য আছিল। এই অৰণ্যত কমলানন্দ নামৰ এগৰাকী সাধক বাস কৰিছিল। তেওঁৰ পাণ্ডিত্যৰ খ্যাতি আছিল বহুদেশ বিস্তৃত। সমস্ত শাস্ত্ৰত তেওঁৰ জ্ঞান আছিল অসাধাৰণ।

কমলানন্দৰ শিক্ষাদান-পদ্ধতি আছিল স্বকীয়া। তেওঁ কেতিয়াও ঈশ্বৰৰ নাম নলৈছিল। কোনো দেৱ-দেৱীৰ সম্পৰ্কে কোনোবা শিষ্যই সুধিলে তেওঁ কৈছিল, "তোমাৰ ভৱিষ্যৎ-জীৱনৰ সৈতে এই প্ৰশ্নৰ কোনো সম্পৰ্ক নাই।"

তেওঁৰ শিষ্যসকলৰ মাজত দুজন ৰাজকোঁৱৰ আছিল। এজন নাম চন্দ্ৰদীপ আনজনৰ নাম সূৰ্য্যদীপ। চন্দ্ৰদীপ আছিল মণিপুৰৰ ৰাজকোঁৱৰ আৰু সূৰ্য্যদীপ আছিল নাগপুৰৰ ৰাজকোঁৱৰ। অধ্যয়নৰ অন্তত দুয়ো নিজ নিজ দেশলৈ উভতি গ'ল।

শিষ্যৰ শিক্ষা কেনেকুৱা হ'ল তাৰ পৰীক্ষা লোৱাৰ মনেৰে কমলানন্দই তেওঁৰ প্ৰধান শিষ্য ৰামদাসক লগত লৈ পোন প্ৰথমতে মণিপুৰলৈ গ'ল। মণিপুৰত অজস্ৰ মন্দিৰ থকালৈ তেওঁৰ লক্ষ্য কৰিলে। তেতিয়া চন্দ্ৰদীপ আছিল মণিপুৰৰ ৰজা।

কমলানন্দই চন্দ্ৰদীপক সুধিলে, "তোমাৰ দেশত অসংখ্য মন্দিৰ থকা দেখিলোঁ। তোমাৰ ঈশ্বৰভক্তি বাঢ়িলনে কথা আন?"

"হে গুৰু! ঈশ্বৰত মোৰ বিশ্বাস নাই।" চন্দ্ৰদীপে ক'লে।

"তেনে'হলে তোমাৰ দেশত ইমান দ'ল-দেৱালয় থকাৰ হেতুনো কি?

কমল শৰ্মা

কিছুমান তোমাৰ উপৰিপুৰুষসকলে, আৰু কিছুমান তুমি সাজি দিয়া বুলি শুনিলোঁ।”

গুৰুদেৱ! মোৰ বিশ্বাস থাকক বা নাথাকক—মোৰ প্ৰজাবৰ্গৰ বাবে এইবোৰ সাজি দিছোঁ।” চন্দ্ৰদীপে ক'লে।

মণিপুৰৰপৰা কমলানন্দ নাগপুৰলৈ গ'ল। নাগপুৰত এটা মন্দিৰো কমলানন্দৰ চকুত নপৰিল। কমলানন্দই নাগপুৰৰ অধিবাসী কেইজনমানক সুধিলে যে ইয়াত মঠ-মন্দিৰ নাই কিয়, নাগপুৰৰ মানুহৰ মাজত ঈশ্বৰৰ স্থান নাইনেকি?

এজন অধিবাসীয়ে কমলানন্দক ক'লে, “আমাৰ মনত ঈশ্বৰৰ প্ৰতি আস্থা অটুট, মঠ-মন্দিৰ আমাক লাগে। কিন্তু আমাৰ মহাৰাজ ঈশ্বৰত বিশ্বাসী নহয় কাৰণেহে ইয়াত মঠ-মন্দিৰো নাই।”

আশ্ৰমলৈ উভতি অহাৰ পাছত প্ৰধান শিষ্য ৰামদাসৰ মনত কিছুমান প্ৰশ্ন জাগিল। গুৰুক সেইবোৰ প্ৰশ্ন কৰাৰ সাহস নাছিল তাৰ। ৰামদাসৰ কথাৰ উমান লৈ কমলানন্দই ক'লে, “ৰামদাস, চন্দ্ৰদীপ আৰু সূৰ্য্যদীপৰ মাজত—তোমাৰ নিৰপেক্ষ বিচাৰত— কাক মোৰ শ্ৰেষ্ঠ শিষ্য বুলি ক'ব পাৰি?”

“একমাত্ৰ সূৰ্য্যদীপ, গুৰুদেৱ।” ৰামদাসে কমলানন্দক ক'লে।

“কিয় কোৱাচোন?” কমলানন্দই ৰামদাসক পৰীক্ষাৰ মনেৰে সুধিলে।



এই কথাৰ উত্তৰত ৰামদাসে নম্ৰভাৱে ক'লে, "চন্দ্ৰদীপে তাৰ ঈশ্বৰত বিশ্বাস নথকাৰ কথা খোলোচাকৈ জনাই দিছিল। কিন্তু তাৰ কথা সিমান নিৰ্ভৰযোগ্য নাছিল। তাৰ বিশ্বাস আৰু কামৰ মাজত আছিল অমিল। আনহাতে সূৰ্য্যদীপৰ কথা আৰু কাম অভিন্ন। গতিকে— সূৰ্য্যদীপেই আপোনাৰ শ্ৰেষ্ঠ শিষ্য।"

কমলানন্দ অলপ পৰলৈ মনে মনে থাকিল আৰু তাৰ পাছত ক'লে, "মই মোৰ শিষ্যসকলক কেতিয়াও ঈশ্বৰৰ সম্পৰ্কে একো নকওঁ। অৱশ্যে—কোনোবাই ঈশ্বৰৰ সম্পৰ্কে কিবা প্ৰশ্ন সোধে যদি উত্তৰ দিওঁ, দিবই লাগে। চন্দ্ৰদীপ আৰু সূৰ্য্যদীপে মোক একেবাৰেই অনুধাৰন কৰিব পাৰা নাছিল, সেইদেখিহে সিহঁতে নিজ নিজ দেশত মন্দিৰ সজা বা নসজাৰ বিষয়ে ইমান গুৰুত্ব আৰোপ কৰিছিল। সূৰ্য্যদীপ আছিল ঈশ্বৰত অবিশ্বাসী ; কিন্তু তাৰ প্ৰজাবৰ্গ হ'ল ঈশ্বৰবিশ্বাসী। প্ৰজাৰ মনৰ ইচ্ছাপূৰণ যিকোনো ন্যায়বান ৰজাৰ অন্যতম কৰ্ত্তব্য, যদিহে সেই ইচ্ছা অন্যায় নহয়। সূৰ্য্যদীপে প্ৰজাৰ ইচ্ছাক অন্যায় ভাৱে অৱদমিত কৰি ৰাখিছে, নিজৰ ইচ্ছাক প্ৰজাসাধাৰণৰ ওপৰত জাপি দিছে। ৰজাই এই কাম কৰিব নালাগে।"

"গুৰুদেৱ, সূৰ্য্যদীপৰ সম্পৰ্কে আপোনাৰ মনোভাৱ বুজি পালোঁ। এতিয়া চন্দ্ৰদীপৰ সম্পৰ্কে আপোনাৰ মনোভাৱ কি ক'বনে দয়া কৰি?" শিষ্য ৰামদাসে সুধিলে।

"চন্দ্ৰদীপ হ'ল যোগ্য ৰজা। সি প্ৰজাৰ ইচ্ছা-অনিচ্ছাৰ মূল্য তথা গুৰুত্ব দিয়ে। তাৰ দেশৰ মন্দিৰবিলাকত কেৱল পূজা নহয়, তাত দৰিদ্ৰসকলক খুউৱা হয়। এই কাৰ্য্য অতি মহৎ কাৰ্য্য, সেয়েহে—মোৰ মতে, এই দুজনৰ মাজত চন্দ্ৰদীপেই হ'ল মোৰ যোগ্য তথা শ্ৰেষ্ঠ শিষ্য।" কমলানন্দই আনন্দৰে সৈতে ক'লে।

মন্ত্ৰীৰ কৰ্তব্য

কুমাৰবৰ্মা যেতিয়া আনন্দগিৰি ৰাজ্যৰ ৰজা হ'ল, তেতিয়া ৰাজ্যৰ পৰিস্থিতি ভাল নাছিল। কিয়নো, কুমাৰবৰ্মাৰ পিতৃ বৃদ্ধ ৰজাই বিভিন্ন দেশৰ সৈতে যুদ্ধ কৰি কৰি ৰাজকোষ প্ৰায় শূন্য কৰি পেলাইছিল। নতুন ৰজা কুমাৰবৰ্মা তেওঁৰ মন্ত্ৰী মুকুলশৰ্মাৰ লগত আলোচনা কৰি নতুনকৈ কৰ-কাটল ধাৰ্য্য কৰি ৰাজকোষ পূৰ্ণ কৰিবলৈ আঁচনি ল'লে। কুমাৰবৰ্মাই ক'লে, "মহামন্ত্ৰী, কিয় নতুনকৈ কৰ আৰোপ কৰা হ'ব, মই প্ৰজাবৰ্গক বুজাই ক'ম। ঠিকমতে বুজাই ক'ব পাৰিলে প্ৰজাসৰে আনন্দিত মনেৰেই কৰ দিব।"

মহামন্ত্ৰী মুকুলশৰ্মাই ক'লে, "মহাৰাজ, নতুনকৈ কৰ ধাৰ্য্য কৰাৰ বিষয়ত আপুনি প্ৰজাবৰ্গৰ আগত উপস্থিত হোৱাটো উচিত নহ'ব। এই কাৰ্য্য ৰাজকৰ্মচাৰী-বৃন্দয়েই কৰা উচিত হ'ব।"

মহামন্ত্ৰীৰ অভিজ্ঞতাৰ ওপৰত তেওঁৰ পৰিপূৰ্ণ আস্থা থকাত ৰজা কুমাৰবৰ্মাই এই প্ৰস্তাৱ মানি ল'লে।

বহুদিনৰ অন্তত এনিশা ৰজা আৰু মহামন্ত্ৰী ছদ্মবেশত ওলাল। ইমানকৈ কৰধাৰ্য্য কৰাত প্ৰজাৰ মনোভাৱৰ উমান লোৱাটোৱেই আছিল তেওঁলোকৰ ওলোৱাৰ উদ্দেশ্য। তেতিয়া জাৰকালি। গৈ গৈ এঠাইত তেওঁলোকে কেইজনমানে বহি সিহঁতৰ মাজত হৈ থকা কথা-বতৰা মনোযোগেৰে শুনিবলৈ ধৰিলে।

এজন বুঢ়াই নতুনকৈ ধাৰ্য্য কৰা কৰ-কাটলৰ বিষয়ে কৈ আছিল, "মোৰ জীৱনত আৰু ইমান কৰ-কাটলৰ কথা

অখিল বৰপূজাৰী



আনকি শুনাও নাছিলোঁ। ৰাজকৰ্মচাৰী-হঁতে দস্তৰমত অত্যাচাৰ কৰি কৰ আদায় কৰিছে।"

এনে ধৰণৰ আন কিছুমান মন্তব্য অন্যান্যয়ো কৰিছিল। এইবোৰ শুনি ৰজা আৰু মন্ত্ৰীতাৰপৰা গুচি গ'ল।

বাটত মহামন্ত্ৰীয়ে ৰজাক ক'লে, "দেখিলেনে মহাৰাজ, কোনেও আপোনাৰ নামকে কোৱা নাই, আমাৰ কৰ্মচাৰীৰ ওপৰতহে দোষ জাপি দিছে। আপুনি নিজেই প্ৰজাক কৰ-কাটলৰ বিষয়ে কোৱাহেঁতেনে ইহঁতে এতিয়া নিশ্চয় আপোনাকেই জগৰীয়া কৰিলেহেঁতেন।"

ৰজা কুমাৰবৰ্মাই ক'লে, "জগৰীয়া কৰ্মচাৰীহঁতকেই কৰক বা মোকেই, প্ৰজাৰ মনত থকা ক্ষোভ বাঢ়িবলৈ দিলে কথা শেষলৈ বিপদৰহে হ'ব দেখিছোঁ।"

মন্ত্ৰীয়ে ৰজাৰ কথাত মূৰ দুপিয়াই ক'লে, "মহাৰাজ, এই কথাত আপুনি দুশ্চিন্তা নকৰিব। সম্প্ৰতি আমাৰ কোষাগাৰৰ অৱস্থা বেছ টনকিয়াল। আপুনি যদি সন্মতি দিয়ে, কৰ-কাটল আমি ৰদো কৰি দিব পাৰোঁ।"

ৰজা কুমাৰবৰ্মাই মহামন্ত্ৰীৰ কথাত ভাল পাই কৈ উঠিল, "মহামন্ত্ৰী, কথাষাৰ আপুনি মোক কোৱানাছিল কেলেই? যি কি নহওক, আপুনি নতুন কৰৰপৰা প্ৰজাক ৰেহাই দিয়াৰ কথা অনতিপলমে ঘোষণা কৰি দিয়ক।"

মহামন্ত্ৰী মুকুলশৰ্মাই হাঁহি মাৰি ক'লে, "মহাৰাজ, কৰ ৰেহাইৰ ঘোষণা—প্ৰজাৰ আগত আপুনিয়েই কৰিব। প্ৰজাই তেতিয়া আপোনাৰ জয়ধ্বনি গাব।"

ৰজাই অবাক হৈ মন্ত্ৰীলৈ চালে। মন্ত্ৰীয়ে পুনৰ ক'লে, "মই সঠিক কথাকে কৈছোঁ, মহাৰাজ। কৰ ধাৰ্য্য কৰাৰ কথা প্ৰজাবৰ্গৰ আগত ব্যাখ্যা কৰি ক'ব বুলি আপুনি কৈছিল। তেতিয়া মই আপোনাক মানা কৰিছিলোঁ আৰু ৰাজ-

কৰ্মচাৰীহঁতৰ দ্বাৰাই এই কাম কৰোৱাবলৈ কৈছিলোঁ। কিয়নো, প্ৰজাৰ আগত ৰজাই কোনো অপ্ৰিয় কথা নোকোৱাই ভাল, মহাৰাজ!"

"কিন্তু—ৰাজকৰ্মচাৰীসকলৰ ওপৰত থকা প্ৰজাবৰ্গৰ ক্ষোভ—এই কামটিও ৰাজকৰ্মচাৰীহঁতে কৰাহেঁতেন—পাতলিল-হেঁতেন।" ৰজাই ক'লে।

"মহাৰাজ, কৰ ধাৰ্য্য ঘোষণাৰ ক্ষোভ ৰাজকৰ্মচাৰীহঁতৰ ওপৰত পৰিল, ভালেই হ'ল। সিংহাসনত অধিষ্ঠিত হোৱাৰ লগে লগে আপুনি স্বয়ং এই ঘোষণা কৰাহেঁতেন প্ৰজাবৰ্গৰ ক্ষোভে হয়তো বিদ্ৰোহৰ ৰূপ ল'লেহেঁতেন।" মন্ত্ৰীয়ে ক'লে।

"বুজিলোঁ। কিন্তু—এতিয়া — কৰ ৰেহাইৰ ঘোষণা কৰ্মচাৰীহঁতৰ সলনি মই কৰিম কিয়?" ৰজাই প্ৰশ্ন কৰিলে।

"মহাৰাজ, কৰৰপৰা ৰেহাই পোৱাটো হ'ল প্ৰজাসাধাৰণৰ ওচৰত এটি শুভবাৰ্তা। গতিকে—এই বাৰ্তাটি স্বয়ং আপুনি যদি ঘোষণা কৰে—প্ৰজাহঁতে আপোনাৰ জয়ধ্বনিৰে গগন ফালিব, আপোনাৰ মান-সন্মান বৃদ্ধি পাব, আৰু কিছুদিনৰ পাছত আমাৰ কৰ্মচাৰীবৃন্দকো প্ৰজাই ভাল পাব। মহাৰাজ, ৰজাৰ অনুগত এজন মন্ত্ৰী হিচাপে মই সদায় ৰজাৰ ভালৰ কাৰণে চিন্তা কৰি কাম কৰোঁ, সঠিক কৰ্তব্য কৰিবলৈ চেষ্টা কৰোঁ।"

ৰজাই তেওঁৰ মহামন্ত্ৰীৰ উপস্থিতবুদ্ধি তথা বিচক্ষণতাৰ শলাগ ল'লে; আৰু কৰ ৰেহাইৰ ঘোষণা কৰিলে। ৰজাৰ ঘোষণা শুনি প্ৰজাবৰ্গৰ মনত আনন্দৰ জোৱাৰ বৈ গ'ল। প্ৰজাবৰ্গই ৰজাক অভিনন্দিত কৰিলে।

এই ঘটনাৰ পাছৰপৰা ৰজা কুমাৰবৰ্মা তেওঁৰ মহামন্ত্ৰী মুকুলশৰ্মাৰ দিহা-পৰামৰ্শমতে দেশশাসন কৰি যথেষ্ট সুনাম তথা বিপুল জনপ্ৰিয়তা আৰ্জিছিল।



সত্য-মহিমা

ব্ৰহ্মদত্ত যেতিয়া কাশীৰ ৰজা আছিল, তেতিয়া বোধিসত্বই এক ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰিছিল। এই জনমত তেওঁৰ নাম আছিল কৃষ্ণদ্বৈপায়ন। তেওঁৰ জন্মস্থান আছিল কোশাম্বি নগৰ।

ডাঙৰ হৈ, কৃষ্ণদ্বৈপায়নৰূপী বোধিসত্বই সাধাৰণ মানুহৰ দুখ-দুৰ্দশা দেখি ক.তৰ হৈ নিজৰ যথাসৰ্বস্ব জনসাধৰণৰ মংগলৰ অৰ্থে দান কৰি সন্ন্যাসীৰ জীৱন যাপন কৰিবলৈ সুদূৰ দুৰ্গম হিমালয়লৈ গুচি গ'ল।

দীৰ্ঘ পঞ্চাছ বছৰ জোৰা তপস্যাৰ অন্ততো সিদ্ধিলাভ হোৱা নাই বুলি বোধিসত্বই ভাবলিে। এই দীৰ্ঘকাল ধৰি অৰণ্যৰ ফলমূল লতাপাত আদি খাই কথামপি জীৱনধাৰণ কৰাৰ ফলত কৃষ্ণদ্বৈপায়নৰূপী বোধিসত্বৰ শৰীৰ-স্বাস্থ্য একেবাৰে ভাগি পৰিছিল।

তাৰ পাছত, হিমালয়ৰপৰা উভতি আহি তীৰ্থ পৰিক্ৰমা কৰোঁতে কৃষ্ণদ্বৈপায়ন তথা বোধিসত্বই তেওঁৰ বাল্যবন্ধু এজনক লগ পালে। এই বন্ধুগৰাকীৰ নাম আছিল মাণ্ডব্য। সৰু গাঁও এখন থাকে তেওঁ। মাণ্ডব্যই বোধিসত্বক খাবলৈ নিমন্ত্ৰণ কৰিলে আৰু খোৱাৰ অন্তত থাকিবলৈকো ক'লে। মাণ্ডব্যই ইতি-মধ্যেই বোধিসত্বৰ বাবে কুটীৰ এটা নিৰ্মাণ কৰি পোইছিল। বোধিসত্বই তাত আনন্দিত মনেৰে থাকিবলৈ ধৰিলে।

এদিন মাণ্ডব্যৰ পুত্ৰ যজ্ঞদত্তই গুটিকা (ঘূৰণীয়া বস্তু অৰ্থাৎ বল্) খেলি থাকোঁতে গুটিকাটো বাগৰি বাগৰি এটা সাপৰ বিবৰত (গাঁতত) সোমালগৈ। শিশু

'জাতক-কথা'



যজ্ঞদত্তই গুটকাটো উলিয়াই আনিবলৈ সাপৰ গাঁতত হাত ভৰাই দিলে আৰু লগে লগে সাপ এটাই তাক খুটিলে। যজ্ঞদত্ত অচেতন হৈ পৰিল।

পুত্ৰৰ এই অৱস্থা দেখি মাণ্ডব্যাই তাক কৃষ্ণদ্বৈপায়নৰ ওচৰলৈ লৈ গ'ল আৰু ক'লে, "হে কৃষ্ণদ্বৈপায়ন, তোমাৰ পঞ্চাছবৎসৰ জোৰা তপস্যাৰ শক্তিৰে আমাৰ এই একমাত্ৰ পুত্ৰক তুমি পুনর্জীৱিত কৰি তোলাঁ। তুমি আমাক আমাৰ পুত্ৰক ভিক্ষা দিয়াঁ।"

মাণ্ডব্য দম্পতিয়ে এনেকৈ কোৱাত কৃষ্ণদ্বৈপায়নে ক'লে, "মাণ্ডব্য, তোমালোকে ভুলকৈ মোক শক্তিমান বুলি ভাবিছা। তপস্যাৰে মই কণমানো শক্তি আৰ্জিব পৰা নাই, সিদ্ধিলাভ দূৰৰে কথা। সাপে খোটাৰ দৰবপাতিও মই নাজানো। এনে অৱস্থাত—মই কেনেকৈ তোমালোকক সহায়-সান্ত্বনা দিব পাৰোঁ ভাবি উলিয়াব পৰা নাই।"

"হে কৃষ্ণদ্বৈপায়ন, পঞ্চাছ বছৰৰ তপস্যা বিফল হ'ব নোৱাৰে। তুমি তাক স্পৰ্শ কৰি এষাৰ সত্য কথা ক'লেও সি পুনর্জীৱিত হৈ উঠিব।" মাণ্ডব্যাই ক'লে।

মাণ্ডব্যৰ কথাত মান্তি হৈ পুত্ৰক পুনর্জীৱিত কৰিবলৈ কৃষ্ণদ্বৈপায়নে কৈ উঠিল ঃ

সপ্তাহং এবাহ প্ৰসন্নচিত্তো।
পুণ্যাৰ্থিকো আচৰিং ব্ৰহ্মচৰিয়ম্॥
আধাপৰং যং চৰিতং মময়িদম্।
বস্যানি পঞ্চাস সমাধিকানি॥
অকামকো বা হি লেহং চৰামি।
এতেন সচ্চেন সুৱথি হোতু॥
হতং বিসং জীৱতু যজ্ঞদত্তো॥

[মই পুণ্যাৰ্জনৰ বাবে এক সপ্তাহ ধৰি নিৰ্মল চিত্তেৰে ব্ৰহ্মচৰ্য্য অৱলম্বন কৰিছিলোঁ। পঞ্চাছ বছৰ ধৰি কৰা তপস্যা মই বিশুদ্ধ চিত্তেৰে কৰা নাছিলোঁ। মোৰ এই সত্য কথাই যজ্ঞদত্তৰ দেহক পৰিপূৰ্ণভাৱে বিষমুক্ত কৰক আৰু সি এতিয়াই পুনর্জীৱিত হওক।]



এই কথা কোৱাৰ লগে লগে যজ্ঞদত্তই চকু মেলি চালে। কিন্তু পাছ মুহূৰ্ততে সি পুনৰ অচেতন হৈ পৰিল।

কৃষ্ণদ্বৈপায়নে মাণ্ডব্যক ক'লে, "দেখিলানে, মোৰ শক্তি একোৱেই নাই, তাক পৰিপূৰ্ণ বিষমুক্ত কৰিব নোৱাৰিলোঁ মই। এতিয়া তুমিও সত্য কথা কৈ এবাৰ চেষ্টা কৰি চোৱাঁ।"

পুত্ৰক পুনৰ্জীৱিত কৰিবলৈ মাণ্ডব্যই তেওঁৰ জীৱনৰ সত্য কথা ক'লে ঃ

যস্মা দাননং ন অভিনন্দিং কদাচি।
দিৱবানাহং অতিথিং বা সকালে॥
ন চাপি মে অপ্পিয়ং অলেত্তুং।
বহুস্সুতা সমনা ব্ৰাহ্মণাবি॥
অকামকো বা হি সেহং দদামি।
এতেন সচ্চেন সুবত্থি হোতু॥
হতং বিসং জীৱতু যজ্ঞোদত্তো॥

[মই ইচ্ছাসহকাৰে অতিথিসংকাৰ নকৰোঁ। শ্ৰমণ আৰু ব্ৰাহ্মণ পণ্ডিতগণলৈ মই অনিচ্ছা-সহকাৰে অভ্যৰ্থনা জ্ঞাপন কৰাৰ কথা ভাবিবই পৰানাছিলোঁ। মই দান-ধৰ্মও অনিচ্ছাৰেহে কৰোঁ। মোৰ এই সত্যকথাৰ ফলস্বৰূপে যজ্ঞদত্ত পুনৰ্জীৱিত হৈ উঠক।]

লগে লগে যজ্ঞদত্ত উঠি বহিল ; কিন্তু পুনৰ সি বাগৰি পৰিল। তেতিয়া মাণ্ডব্যই তেওঁৰ পত্নীক সত্য কথা ক'বলৈ অনুৰোধ কৰাত মাণ্ডব্যৰ পত্নীয়ে মাণ্ডব্যক ক'লে, "মই ইয়াত আপোনাৰ আগত সত্য কথা ক'ব নোৱাৰিম।"

মাণ্ডব্যই তেওঁৰ পত্নীক ক'লে, "তুমি বাৰু বলিয়া হ'লানেকি? মোৰ আগত ক'ব নোৱৰা কথা ইহ জীৱনত কিনো আছে তোমাৰ?"

তেতিয়া নিৰুপায়ত পৰি মাণ্ডব্য-পত্নীয়ে লাহে লাহে কৈ থাকিল ঃ

অসো বিসো তাত পহত তেজো।
যে তং অদট্টি পতৰা হদচ্চি॥
তস্মিং চ মে অপ্পিয়ায় অজ্জ।
পিতৰি চ তে নত্থি কোচি বিসেসো।

এতেন সচ্চেন সুবথি হোতু।
ইতং বিসং জীরতু যজ্ঞদত্তো॥

[বোপা, তোমক খোট। সাপটোক দেখি ঘিণ লগাৰ দৰে তোমাৰ দেউতাৰাক দেখিলেও মোৰ ঘিণ লাগি যায়। এই সাপ অৰু তোমাৰ দেউতাৰাৰ মাজত মই একো পাৰ্থক্য নেদেখোঁ। মোৰ এই সত্য উক্তিৰ ফলস্বৰূপে তুমি পুনৰ্জীৱিত হৈ উঠা।]

মাণ্ডব্য-পত্নীয়ে এই কথা কোৱাৰ লগে লগে যজ্ঞদত্ত উঠি থিয় হ'ল আৰু আগৰ দৰেই গুটিকা খেলি থাকিল। তেতিয়া মাণ্ডব্যই কৃষ্ণদ্বৈপায়নক ক'লে, "হে কৃষ্ণদ্বৈপায়ন, অনিচ্ছাসত্বেও তুমি পঞ্চাছ বছৰ ধৰি কেনেকৈ যে তপস্যা কৰিছিলা, মই ভাবি উলিয়াব পৰা নাইটো কথাটো। কিয় এই কাম কৰিছিলা?"

"কিয়নো—" কৃষ্ণদ্বৈপায়নে ক'লে, "তপস্যা কৰিবলৈ ওলাই সোনকালে উভতি আহিলে লোকৰ আগত হাঁহিয়াতৰ পাত্ৰ হ'ব লাগে। সেয়েহে, সন্ন্যাসীৰ জীৱন ভাল নলগা সত্বেও মই দীৰ্ঘকাললৈ তপস্যা চলাই গৈছিলোঁ। কিন্তু—হে মাণ্ডব্য, তুমিনো কিয় আৰু কেনেকৈ অনিচ্ছাৰে অতিথি সৎকাৰ কৰিছিলা? তোমাৰ আনন্দময় আহ্বান-অভ্যৰ্থনা, আদৰ-আপ্যায়ন আদিয়ে কিন্তু তোমাৰ অনিচ্ছাক অকণোকে প্ৰকাশ নকৰে। তোমাৰ এই বাধ্যতামূলক অতিথি সৎকাৰৰ হেতু



কি, কথাষাৰ বুজাই ক'বানে ?"

"হেতু হ'ল যে—মোৰ পিতৃপুৰুষে সদায় দানধৰ্ম অতিথিসৎকাৰাদি কৰিছিল। গতিকে—মনৰ ইচ্ছা নথকা সত্বেও এই এই চলি অহা প্ৰক্ৰিয়াক ময়ো চলাই গৈছোঁ। অন্তৰৰপৰা এটা ফুটা কড়িও কাকো দিবলৈ মন নাযায়।" এই কথা কৈয়েই মাণ্ডব্যই তেওঁৰ পত্নীলৈ চাই ক'লে, "নিচেই সৰুতেই মোৰ বিয়া পতা হৈছিল। তুমি নিচেই সৰু অৱস্থাত আমাৰ ঘৰলৈ আহিছিলা। মোকো যেতিয়া সাপ বুলিয়েই ভাবাঁ, তেতিয়া এনেবোৰ ভয়ংকৰ কথা বুকুত বান্ধি লৈ সংসাৰ কৰিছানো কেনেকৈ? এজনী ব্যভিচাৰিণীৰ দৰে মোৰ লগতনো বসবাস কৰিছা কেনেকৈ ?"

এই কথাৰ উত্তৰত মাণ্ডব্যৰ পত্নীয়ে ক'লে, "আপোনালোকৰ পৰিয়ালখন ঐতিহ্যসম্পন্ন। এই পৰিয়ালৰপৰা ওলাই গৈ মই আন কাৰোবাক বিয়া কৰোৱা-হেঁতেন আপোনালোকৰ তথা মোৰো যথেষ্ট বদনাম হ'লহেঁতেন। যি কি নওহক, পুত্ৰৰ পুনৰ্জীৱন বিচাৰিহে মই আপোনাক ঘৃণাৰ কথা কলোঁ, নহ'লে আপুনি কেতিয়াও গম নাপালেহেঁন।"

"তুমি সঁচা কথা কোৱাত মই বেয়া পোৱা নাই। এতিয়াৰপৰা, মোৰ প্ৰতি যাতে ঘৃণাৰ সৃষ্টি নহয়, তেনেকৈ চলাৰ চেষ্টা কৰিম মই।" মাণ্ডব্যই পত্নীক ক'লে।

তাৰ পাছত কৃষ্ণদ্বৈপায়নৰূপী বোধিসত্বই মাণ্ডব্যক ক'লে, "দানধৰ্ম কৰাৰ ইচ্ছা নহ'লে তুমি দানধৰ্ম নকৰিবা, এই কথাত জগৰ নালাগে। ময়ো এতিয়াৰপৰা সানন্দে সন্ন্যাসীৰ জীৱন-যাপন কৰিম।" এই বুলি কৈ, কৃষ্ণ-দ্বৈপায়নৰূপী বোধিসত্বই মাণ্ডব্য আৰু মাণ্ডব্যৰ পত্নীৰপৰা বিদায় লৈ তাৰপৰা তেতিয়াই গুচি গ'ল।

আমাৰ নদ-নদী

যমুনা

মহাকবি কালিদাস-বৰ্নিত 'দেৱতাত্মা' আৰু 'পৰ্বতৰাজ্য' হিমালয়পৰ্বতৰ শিখৰৰপৰাই আমাৰ অধিকাংশ নদ-নদী ওলাইছে। আমাৰ পুৰাণত নদ-নদীক সজীৱ আত্মাৰূপে প্ৰদৰ্শিত।

যমুনা নৈ সূৰ্য্য আৰু সন্ধ্যাদেৱীৰ কন্যাৰূপে আমাৰ পৱিত্ৰ পুৰাণত বৰ্ণিত আছে। যম আৰু এই কন্যাৰ একেলগে জন্ম হোৱাত নাম হ'ল যমুনা যমুনাই মৰ্ত্যভূমিত দুগ্ধ বিতৰণ কাৰিণী ৰূপে জন্ম গ্ৰহণ কৰিছিল।

কালিন্দী পৰ্বতৰ পাদদেশত হিমালয়ৰ এক উৎমুখ যমুনোত্ৰী। তাতে যমুনাৰ উৎপত্তি। এই উৎপত্তি-ঠাই সমুদ্ৰ সমতলৰপৰা দহহাজাৰ আঠশ হাত উচ্চতাত অৱস্থিত। ইয়াত যমুনাদেৱীৰ এটি মন্দিৰ আছে।

উৎপত্তি সময়ত যমুনা নৈৰ উৎসৰ জলধাৰাৰ গতিবেগ আছিল অতি তীব্ৰ। জল-প্ৰবাহৰ ধ্বনি আছিল সহস্ৰ সিংহগৰ্জনৰ সমান। সুতীব্ৰ জল-ধাৰাৰপৰা ওলোৱা জল-কণিকাই এক অতিশয় আশ্চৰ্য্য-সুন্দৰ মোহনীয় মেঘমালাৰ সৃষ্টি কৰিছিল।

এবাৰ কৃষ্ণ-সহোদৰ বলৰামে পৰ্বতত ভ্ৰমি ফুৰোঁতে যমুনাৰ উৎসস্থল পালেগৈ আৰু তাতে স্নান কৰিবলৈ মন মেলিলে। বলৰামে এটা ওখ পাহাৰৰ ওচৰত থিয় হৈ যমুনাক আদেশৰ ভংগীৰে মাতিলে জল্দিকৈ তেওঁৰ ওচৰলৈ আহিবলৈ।

কিন্তু বলৰামৰ আদেশলৈ যমুনাই ভ্ৰূক্ষেপো নকৰাত বলৰামে যমুনাৰ জলপ্ৰবাহৰ মাজত নামিলেগৈ। প্ৰবাহই বলৰামক ঠেলি পেলোৱাৰ চেষ্টা কৰাত বলৰাম ক্ৰুদ্ধ হৈ উঠিল।

তেওঁ তীৰলৈ উঠি আহিল আৰু তেওঁ তেওঁৰ নাঙলৰে সৈতে পাহাৰ-পৰ্বত ভৈয়ামেদি যেনেকৈ ইচ্ছা তেনেকৈ যোৰাত যমুনায়ো বাধ্যতপৰি তেনেকৈ প্ৰবাহিত হ'বলগীয়া হ'ল।

আৰু অৱশেষত যমুনাই নাৰীৰূপ ধাৰণ কৰি ক্ৰুদ্ধ বলৰামক তেনেকৈ নাঙল নচলাবলৈ মিনতি জনালে। যমুনাৰ কাবৌ-কাকুতি শুনি বলৰাম ৰ'ল আৰু তেতিয়াৰপৰা চঞ্চল যমুনাই অতি শান্ত-ভাৱে বৈ থাকিল।

পুৰাণত বৰ্ণোৱা হস্তিনাপুৰৰ আৰু ইন্দ্ৰপ্ৰস্থৰ ওপৰেদি যমুনাই প্ৰবাহিত হ'বলৈ ধৰিলে। পৰৱৰ্তীকালত সেই অঞ্চলৰ নাম হ'ল দিল্লী। লালকিল্লাৰ কাষেদি যমুনা বৈ গৈছিল।

তেতিয়াৰ দিনৰপৰা আজিলৈকে যিটি নামৰ পৰিৱৰ্তন হোৱা নাই— সেই নামটি হ'ল মথুৰা। শিশু কৃষ্ণক লৈ তেওঁৰ পিতৃদেৱে যেতিয়া মথুৰাৰ কাষেদি বৈ যোৱা যমুনা নৈ পাৰ হ'ব ধৰিছিল, তেতিয়া সৰ্পৰাজ বাসুকিয়ে ফেট মেলি শিশু কৃষ্ণক বৰষুণৰপৰা ৰক্ষা কৰিছিল।

কৃষ্ণৰ বালককালৰ নিকটতম সংগী আছিল এই যমুনা। এই যমুনা নৈৰ পাৰতে কৃষ্ণৰ বৃন্দাৱনত বংশীবাদনৰ পৰা আৰম্ভ কৰি বহু লীলাখেলাৰ আকৰ্ষণীয় কাহিনী জড়িত।





গংগা আৰু যমুনাৰ সংগমস্থল পৱিত্ৰ প্ৰয়াগ নামেৰে খ্যাত। অন্তৰ্বাহিনী নদী হ'ল সৰস্বতী। এই তিনিও নৈৰ মিলনস্থলক ত্ৰিবেণী বুলি কোৱা হয়। ত্ৰিবেণী সংগমত বা প্ৰয়াগত পৱিত্ৰ মনেৰে স্নান কৰাটো ভক্তসকলৰ ওচৰত এক পবিত্ৰ শুভ কৰ্ম।

প্ৰভেদ

মাৰ্তণ্ড ৰজাৰ মন্ত্ৰীসকলৰ এজন আছিল সুবুদ্ধি। ৰজাৰ অধীনত বহুতো লিগিৰা-লিগিৰী আছিল। ৰজাই এই লিগিৰা-লিগিৰীইঁতক হাড়ভঙা খাটনি খটুৱাইছিল।

এদিন সুবুদ্ধিয়ে ৰজাক ক'লে, "মহাৰাজ, দাস-দাসীইঁতকো সাধাৰণ মানুহৰ দৰে জীয়াই থাকিবলৈ দিয়ক।"

এই কথা শুনি ৰজাই ক'লে, "ৰজাৰ সন্তান ৰজা হোৱাৰ দৰে দাস-দাসীৰ সন্তান দাস-দাসীয়েই হ'ব। এই বিষয়ত কোনো ভুল ধাৰণাৰ থল নাই।"

কিছুদিনৰ অন্তত ৰজাক সুবুদ্ধিয়ে ক'লে, "মহাৰাজ, আজিৰ দিনত উপৰিপুৰুষসকলক সুঁৱৰিব লাগে। ব'লক শ্মশানলৈ গৈ আমি আমাৰ উপৰিপুৰুষসকলক সোঁৱৰো।" এই বুলি কৈ মন্ত্ৰী সুবুদ্ধিয়ে ৰজাক শ্মশানলৈ লৈ গ'ল।

দুটা দিনৰ আগতে মুষলধাৰে বৰষুণ দিছিল। তাৰ ফলত শ্মশানত আধাপোৰা হাড় সিঁচৰতি হৈ আছিল। মন্ত্ৰী সুবুদ্ধিয়ে কিছুমান হাড় আৰু লাওখোলা গোটাই লৈ ক'লে, "মহাৰাজ, এইবিলাকৰ কোনখিনি যে আপোনাৰ উপৰিপুৰুষ আৰু খোনখিনি দাসদাসীইঁতৰ—মই চিনি পোৱা নাই। আপুনি যদি অনুগ্ৰহ কৰি পৃথক কৰি দিয়ে তেনেহ'লে বৰ ভাল হ'ব।"

এই কথা শুনি ৰজাৰ চকু মুকলি হ'ল। ৰজাই শ্মশানৰপৰা উভতি গৈয়েই দাস-দাসীইঁতক দাসত্বৰপৰা মুক্তি দিলে আৰু ৰজাই নিজেও সাধাৰণ মানুহৰ দৰে জীৱনযাপন কৰি থাকিল।

দৢঢ়ীয়া কাহিনী

এখন দেশত দুজন বন্ধু আছিল। তেওঁলোকে বেহা-বেপাৰ কৰি ঢেৰ টকা ঘটিছিল। বন্ধু দুজনৰ নাম আছিল হৰেষ আৰু ধৰেশ। হৰেষে টকা খৰচ কৰি ভাল পাইছিল। কিন্তু টকা খৰচ কৰাৰ কথা ভাবিলেই ধৰেশৰ বুকুৰ ধৰফৰনি বাঢ়ি গৈছিল। টকা সি যিমানেই নঘটক, খৰচ সি নকৰিব। তাক আৰু টকা লাগেহে। হৰেষ আছিল তপামূৰীয়া আৰু ধৰেশ আছিল দঢ়ীয়া।

এদিন হৰেষে ধৰেশক ক'লে, "বন্ধু, এটা কথা কওঁ কওঁ কৰিও বহুদিন ধৰি ক'ব পৰা নাছিলোঁ। আজি বাৰু কৈয়ে পেলাওঁ। তোমাৰ দাড়িকোচা কিন্তু অতি ধুনীয়া। ইমান ধুনীয়া দাড়ি—মই শপত খাই ক'ব পাৰোঁ—আমাৰ দেশত আন কাৰো নাই। মোৰ কথা বিশ্বাস কৰা, কাৰো নাই, ক'তো কোনেও দেখা নাই।"

কথাষাৰ শুনি, ভাল পাই ধৰেশে ক'লে, "বন্ধু, আনকেইজনমানেও এই কথা মোক কৈছে। কথা মাথোন ইমানেই নহয়, মই কিমান টকা পালে মোৰ দাড়িকোচা বেচিম, তাকো কোনো কোনোবাই সুধিছে। এজনে মোক—দাড়িকোচাৰ বিনিয়মত—যিমান টকা লাগে সিমানেই দিব বুলি কৈছে।"

হৰেষে হৰষিত মনেৰে ক'লে, "বেচিবাই যদি মোৰ ওচৰতে বেচিব পাৰা।"

ধৰেশ আছিল ধনলোভী। কিমান দাম খুজিব সেই কথা ভাবি তাৰ মূৰ গৰম হৈ উঠিল। অলপ পৰলৈ ভাবি লৈ সি ক'লে, "তুমি মোৰ বন্ধু, গতিকে—

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



এহেজাৰমান দিলেই হব।”

“মাত্ৰ এহেজাৰ!” এই বুলি কৈয়েই হৰেযে টকা এজাপ ধৰেশৰ হাতত দি ক'লে, “এইখিনি এতিয়া লোৱা, বাকীখিনি পাছত দিম।”

ধৰেশৰ কেনেবা কেনেবা লাগিল। মুহূৰ্তৰ মাজতে কিবা যেন ঘটি গ'ল। হৰেযে এটা চৰ্ত্ত আৰোপ কৰি ধৰেশক ক'লে, “বন্ধু, তোমাৰ দাড়িকোচা যদিও এতিয়া মোৰ, তথাপি মই এতিয়াই খুৰাই লৈ নাযাওঁ। পিছে—তুমি কিন্তু দাড়িকোচাৰ যত্ন ল'বা, মই যি তেল সানিবলৈ ক'ম সানিবা, আৰু যেতিয়া যেনেকৈ ক'ম অলপ অলপকৈ কাটিবা। মুঠতে—মুখখন তোমাৰ হ'লেও দাড়িকোচা যে এতিয়া মোৰ—মনত ৰাখিবা।”

এই চৰ্তত মান্তি হোৱাত কাগজত দাড়ি কিনাবেচাৰ কথা লিখিবলৈ ধৰিলে ধৰেশে। লিখি থাকোঁতে হৰেযে ধৰেশক ক'লে, “বন্ধু, আন এটা চৰ্তৰ কথবা লিখিব লাগিব। কোনোবাই যদি তোমাৰ দাড়িৰ প্ৰশংসা কৰে—তেতিয়া তুমি 'ক'বা 'চাওক ডাঙৰীয়া, দাড়িকোচা যদিও মোৰেই গালত আছে, তথাপি মোৰ নহয়। হৰেযে মোৰ দাড়িকোচা কিনি লৈছে এহেজাৰ টকাৰে'। ধৰেশ এই চৰ্ততো ৰাজী হ'ল আৰু কাকতত লিখি চহী মাৰি দিলে।

তাৰ পাছত, হৰেয যেতিয়া-তেতিয়াই ধৰেশৰ ওচৰলৈ গৈছিল। ধৰেশে সুধিছিল, “বন্ধু,, ইমান ৰাতি আহিলা যে!” হৰেযে কৈছিল, “নহয়—বৰ ডাঙৰ কথা একো নহয়, মোৰ দাড়িকোচা চাবলৈ আহিলোঁ।” কেতিয়াবা লোকৰ আগতো হৰেযে ধৰেশক ধৰি, বাটত ৰখাই, তাৰ দাড়িকোচা লাৰি-চাৰি চাইছিল আৰু কৈছিল, “এস্! মোৰ দাড়িকোচাৰ দেখিছোঁ একদম যত্ন লোৱা নাই তুমি। তেল-তুল দিয়াই নাইনে কি?” হৰেযে

কথাবোৰ চিঞৰি চিঞৰিয়েই কৈছিল।

এইদৰে, যেতিয়া যেতিয়াই আহি হৰেষে অত্যাচাৰ কৰাত অতিষ্ঠ হৈ এদিন ধৰেশে তাৰ বন্ধু হৰেষক ক'লে, "চোৱাঁ, মই আৰু নোৱাৰিছোঁ। টকাৰ লোভেই মোক ডুবালে। টকাৰ লোভত পৰি, ভৱিষ্যৎ নাভাবি মই মোৰ—মানে তোমাৰ টকাখিনি ঘূৰাই দিছোঁ মই, মোৰ দাঢ়ি মোৰেই থাকক।"

কিন্তু ধৰেশৰ প্ৰস্তাৱত হৰেষ মান্তি নহ'ল। তেতিয়া ধৰেশে হৰেষক দুগুণ, আনকি চাৰিগুণ টকাও দিব খুজিলে। এই দগাবাজী তাৰ কল্পনাৰো অতীত।

তাৰ পাছত কেইদিনমান পাৰ হ'ল। এনিশা হৰেষে হন্তদন্ত হৈ ধৰেশৰ ঘৰলৈ আহিল। ধৰেশ তেতিয়া টোপনিত লাল-কাল দিছে। হৰেষে ধৰেশক নজপালে। সি ধৰেশৰ দাঢ়িকোচাত হাত ফুৰাবলৈ ধৰিলে। আৰু দাঢ়িত হাত ফুৰাই থাকোঁতে এসময়ত ধৰেশৰ দাঢ়ি-কোচা মুখৰপৰা স্লকি পৰিল। তেতিয়া হৰেষৰ বুজিবলৈ বাকী নাথাকিল যে ধৰেশৰ দাঢ়িকোচা আছিল নকলী দাঢ়ি।

তাৰ পাছত এই কথাত দুয়োৰো মাজত তৰ্কাতৰ্কি প্ৰায় মাৰপিটলৈ বাগৰিল। তেতিয়া দুয়ো বিচাৰকৰ ওচৰলৈ গ'ল। হৰেষে বিচাৰকক ক'লে, "ধৰ্মাৱতাৰ, ধৰেশে নকলী দাঢ়িৰে মোক প্ৰতাৰণা কৰিলে। তাৰ বাবে মই যোগ্য ক্ষতিপূৰণ বিচাৰোঁ।"

ধৰেশে গুৰিৰেপৰা সকলো কথা কোৱাৰ অন্তত বিচাৰকক ক'লে, "আপুনি সকলো কথা শুনিলেই ধৰ্মৱতাৰ, এতিয়া আপুনিয়েই কওক, সি দাঢ়িৰ লগতে মোৰ মূৰটোও কিনি লৈছিলনে?"

উভয়পক্ষৰ বক্তব্য শুনাৰ অন্তত বিচাৰকে দুয়োজনকে দুসপ্তাহৰ বাবে পগলা-ফাটেকলৈ পঠাই দিলে।



পৰিৱৰ্তন

বলভদ্ৰ হ'ল এজন কৃষক। সি আছিল অতি পৰিশ্ৰমী। কিন্তু সি আছিল বদৰাগী ; খং উঠিলেই সি একেবাৰে হিতাহিত জ্ঞানশূন্য হৈ পৰে। বলভদ্ৰৰ ঘৈণীয়েক আছিল বলভদ্ৰৰ একদম বিপৰীত। তাইৰ নামো শান্তা, স্বভাৱতো তাই শান্ত।

কিন্তু এদিন. তাইৰো খং উঠিল। তাই তাইৰ গিৰিয়েকক ক'লে, "মোক তুমি সদায় ককৰ্থনা-বিকৰ্থনা কৰি থাকা কিয় ? কিয় গালি পাৰি থাকা মোক ?"

শান্তাৰ এনে অশান্ত মূৰ্তি সি কেতিয়াও দেখা নাছিল। সি শান্তাক গম্ভীৰ মাতেৰে ক'লে, "ঠিক আছে, তুমি য'লৈকে ইচ্ছা গুচি যাব পাৰা।"

শান্তা তৎক্ষণাৎ ওলাই গ'ল। আৰু বলভদ্ৰয়ো তাইক বাধা নিদিলে।

দিনত, আনকি ৰাতিৰ পৰতো বলভদ্ৰ খংশিঙা ৰজাইছিল। কিন্তু ৰাতিপুৱাতো যেতিয়া শান্তাক দেখা নাপালে তেতিয়া তাৰ মনত শংকাৰ সৃষ্টি হ'ল।

সৰুতেই মাতৃ-পিতৃহীনা শান্তাজনী তাইৰ মোমায়েকৰ ঘৰতে ডাঙৰ-দীঘল হৈছিল। তাতো তাই হাড়ভঙা খাটনি খাটিবলগীয়া হৈছিল। বিয়াৰ পাছত শান্তাও তাইৰ মোমায়েকৰ ঘৰলৈ যোৱা নাই, তেওঁলোকো অহা নাই।

বলভদ্ৰই চুবুৰীখনৰ ঘৰে ঘৰে শান্তাক বিচাৰি ক'তো নাপাই সেই.মোমায়েকৰ ঘৰলৈ বুলি খোজ ল'লে। তাতো শান্তাক নোপোৱাত বলভদ্ৰ দুশ্চিন্তাত পৰিল। মোমায়েকে ক'লে, "ঠিক আছে,

নগেন তালুকদাৰ

ইয়ালৈ আহে যদি তাই—পঠাই দিম।”

বলভদ্ৰ খঙাল; কিন্তু মৰমিয়ালো। শান্তালৈ তাৰ মনত মৰম-,ব্যথাৰ অভাৱ নাছিল। শান্তাক বিচাৰি উলিয়াই, তাইক লগত লৈহে ঘৰলৈ উভতি যাব—মনতে এই প্ৰতিজ্ঞা ল'লে বলভদ্ৰই।

গাওঁ পায়েই মহিমক লগ পালে বলভদ্ৰই। মহিমক গৰুৰ গাড়ী চলায়। মহিমে ক'লে, “তোমাৰ ঘৈণীয়েৰাই মোৰ গাড়ীত উঠি ৰামপুৰলৈ গৈছিল।”

বলভদ্ৰই তৎক্ষাণাৎ ৰামপুৰলৈ বুলি খোজ ল'লে। ৰামপুৰ বহু দূৰৰ বাট। বাট চমুৰাব পাৰি; কিন্তু সেই বাটত অটব্য হাবি এডৰা আছে। এই হাবিৰ মাজেদি বা কাষেদিও কোনেও যাবলৈ সাহস নকৰে। কিন্তু বলভদ্ৰই তথাপি সেই বাটকে ল'লে।

গৈ গৈ ভাগৰি-জুগৰি বলভদ্ৰই জিৰণি ল'বলৈ সেই হাবিৰ এজোপা গছৰ তলত বহি দিলে। অলপ পাছত পাঁচটা চোৰ তাত উপস্থিত হ'লহি আৰু সিহঁতে বলভদ্ৰক সুধিলে, “ইয়াত কি কৰিছা তুমি? ইয়াত বহি আছাহি কিয়?”

বলভদ্ৰই ক'লে, “মই ৰামপুৰলৈ যাম। ইয়াত জিৰণি লৈছোঁ।”

বলভদ্ৰৰ কথা শুনি চোৰবিলাকে ভাবিলেঃ ই নিশ্চয় ৰজাৰ চোৰাংচোৱাহে হ'ব। নহ'লে—ছদ্মবেশী কতোৱাল।

এটা চোৰে বলভদ্ৰক সুধিলে, “তুমি কিহৰ বাবে ৰামপুৰলৈ গৈছা?”

“তাত মোৰ পৰিবাৰ আছে।”

“হয়নে কি!” এটা চোৰে ক'লে, “ৰামপুৰ মোৰ চিনাকি ঠাই। তোমাৰ শাহুয়েৰাৰ নাম কি কোৱাচোন?”

“তেওঁলোক ঢুকাল।” বলভদ্ৰই ক'লে।

“ঠিক আছে, ঢুকাল যদি কুছ্ পৰোৱা নাই। তোমাৰ তেওঁ কাৰ ঘৰত আছে?”

“মোৰ মেজাজ একদম ভাল নাই। তোমালোকে মোক ইমানকৈ সোধ-পোছ

কৰিছা যে কিয়—মই বুজা নাই। এই অধিকাৰ তোমালোকে কাৰপৰা পালা—তোমালোকেহে ক'ব পাৰিবা।" বলভদ্ৰই দৃঢ়তাৰে চোৰবিলাকক ক'লে।

বলভদ্ৰৰ কথা শুনি চোৰাবিলাক তল যাওঁ যাওঁ হ'ল। সিহঁতৰ নাম শুনিলেই বহু মানুহক ভয়তে থৰ হয়—আৰু ইনো ক'ৰ এলেকৰ পেলেক? সিহঁতে ভাবিলে ঃ ই নিশ্চয় অকলশৰীয়া নহয়। ইয়াৰ লগৰীয়াহঁত নিশ্চয় ক'ৰ-বাত জোপ লৈ আছে। নহ'লেনো ই আমাৰ মুখৰ ওপৰত ইমানকৈ বেল-বেলাই থাকিব পাৰেনে? তাৰ পাছত সিহঁতে বলভদ্ৰক আৰু কেইটামান প্ৰশ্ন কৰাত বলভদ্ৰই পোনছাটে থিয় হৈ তাৰপৰা তুপতুপাই গুচি যাবলৈ ধৰিলে।

এটা চোৰে আনবিলাকক ক'লে, "মানুহটোৰ প্ৰতিটো কথা মিছা। আচলতে সি ছদ্মবেশী, ৰজাৰ চৰ। তাৰ লগত ভাল ব্যৱহাৰ কৰিলেহে ভাল হ'ব। নহ'লে—এই ঠাই হয়তো এৰিব লাগিব, আৰু কপাল ভাল হ'লে ৰাজ-প্ৰহৰীৰ হাতত ধৰা পৰিব লাগিব।"

তাৰ কথা মানি লৈ আটাইকেইটা চোৰে বেগাই খোজ দি বলভদ্ৰৰ ওচৰ চাপিলেগৈ। বলভদ্ৰই সিহঁতলৈ বিৰক্তিৰে

চোৱাত সিহঁতে ক'লে, "চাওক, এটা কথা কওঁ শুনক। আমি' ইয়াত চুৰি-তাৰি কৰি পেট প্ৰৰ্তাওঁ। আমাৰ থকাঠাই সম্পৰ্কে যদি কাকো একো নকয়, আমিও আপোনাক যৎসামান্য উপহাৰ দিম।"

বলভদ্ৰই অবাক হৈ সুধিলে, "মোক তোমালোকে কি বুলি ঠাৰৰ কৰিছানো?"

"চাওক. এই অটব্য হাবিত—যি হাবিত কোনো নোসোমায়, আপুনি তাতে সোমাই নিঃচিন্ত মনেৰে যে গছৰ ছাঁত বহি কলমটিয়াই আছিল—এনেয়েনে? আপুনি নিশ্চয় ৰজাৰ নিজা মানুহ। আমি ক'ত থাকোঁ, আপুনি গম পাই গ'ল।



এতিয়া, আপোনাক আমি যদি মাৰি পেলাওঁ, আপোনাৰ লগত অহা আন অনুচৰসকলে আমাক শুদাই নেৰে। গতিকে— আমি আপোনাৰ একো অনিষ্ট নকৰোঁ। বৰঞ্চ যৎকিঞ্চিত মানহে ধৰিম আপোনাৰ।" এই বুলি কৈ, চোৰবিলাকে গুহা এটাৰপৰা সৰু মোনা এটা আনি বলভদ্ৰৰ হাতত গটাই দিলে। মোনাটোত হীৰা-মুকুতা আদি ঠাহ খাই থকা দেখি বলভদ্ৰৰ চকুযুৰি ঢেলুকা-ঢেলুক হৈ পৰিল।

মোনাটো হাতত লৈ বলভদ্ৰই নিমাতে খোজ কাঢ়ি থাকিল। চোৰ কেইটাই বলভদ্ৰক বহু দূৰলৈকে আগবঢ়াই দিলে আৰু ক'লে, "আপুনি দয়া কৰি গুহাটোৰ কথা পাহৰি যাওক। কৈ থওঁ, পুনৰ কেতিয়াবা যদি ধন-সোণৰ আৱশ্যক হয়-- ইয়ালৈ নাহিব, কিয়নো, আমি এই ঠাই এৰি আজিয়েই গুচি যামগৈ।"

তাৰ পাছত বলভদ্ৰ ৰামপুৰলৈ গৈ বিচাৰি-খোচাৰি শান্তাৰ সন্ধান পাই গ'ল। শান্তাই ইয়াতেই এক আঢ্যৱন্ত খেতিয়কৰ পৰিয়ালত কাম কৰিছে। গৃহস্থৰ নাম গংগাৰাম। গংগাৰাম শান্তাৰ কাম-বনৰ প্ৰশংসাত পঞ্চমুখ। বলভদ্ৰই সবিনয়ে ক'লে, "মই শান্তাৰ লগত অলপ কথা পাতিব খুজিছোঁ।" গংগাৰাম মান্তি হ'ল।

গংগাৰামে মান্তি হৈ শান্তাক মাতি দিলে। বলভদ্ৰক শান্তাক সৰু সৰুকৈ ক'লে,"ইয়াত তুমি কিয় চাকৰণীৰ দৰে খাটি মৰিছা ? নিজৰ ঘৰ-সংসাৰ থাকোঁতেও আনৰ ঘৰত কাম কৰি থকাত ভাল পাইছানে বাৰু ?"

"ঠিক কথা, ভাল পাব নালাগিছিল। কিন্তু এওঁলোকে মোৰ কাম-কাজৰ ইমান প্ৰশংসা কৰে যে মোৰ পৰিশ্ৰম ভাল-খিনিলৈকে লাঘৱ হৈ যায়। তদুপৰি, মোক ইয়াত সকলোটিয়েই মৰম কৰে। কোনেও খং নকৰে।" শান্তাই ক'লে।

"অ'—মই কোনোদিনে তোমাৰ

কাম-বনৰ প্ৰশংসা কৰা নাই, নহয়? যি কি নহওক, তুমি যে কেতিয়াবা খঙতে ঘৰ-দুৱাৰ এৰি গুচি আহিবা—এই কথা মই কল্পনাও কৰিব পৰানাছিলোঁ। তুমি তুমি গুচি অহাৰ পাছৰপৰা তোমাক বিচাৰি বিচাৰি হাৰাশাস্তি হৈছোঁ। যি কি নহওক, এদিন মহিমৰ লগত দেখাদেখি আৰু তুমি ৰামপুৰলৈ যোৱা বুলি সিয়েই মোক ক'লে। ৰামপুৰলৈ আহোঁতে, বাট চমুৱাবলৈ বনপথেদি আহি আছিলোঁ, তাত এদল চোৰৰ কবলত পৰিলোঁ মই। যি কি নহওক তোমাক যে বিচাৰি পালোঁ, এয়ে ডাঙৰ কথা।" ইমানলৈকে কৈ বলভদ্ৰ ৰ'ল।

গিৰিয়েকৰ মুখলৈ চাই ৰ'ল শান্তাই। তাই ভাবিলেঃ এওঁৰ কথাবোৰ সঁচা হ'ব পাৰে। তাই ক'লে, "মোৰ প্ৰতি যদি তোমাৰ মনত ইমানেই মৰম—তেনেহ'লে তাত থকা ঘৰ-দুৱাৰ মাটি-বাৰী বেচি ইয়ালৈ আহাঁ। ইয়াত ঢেৰ মাটি-বাৰী কিনিব পাৰিম, ভাল চাই ঘৰ এটা সাজি ল'ম, আৰু নতুন ঠাইত নতুন ঘৰত, নতুনকৈ নতুন জীৱনৰ পাতনি তৰিম। তুমি খেতি-বাতি কৰি থাকিবা, আৰু মই ইয়াতে—এই ঘৰখনতে কাম-বন কৰি থাকিম। দুয়ো মিলি কাম কৰিলে টকা পইচাও সাঁচিব পাৰিম।"

"কিয় তুমি আনৰ ঘৰত কাম কৰিবা? এয়া চোৱাঁ।" এই বুলি কৈ বলভদ্ৰই হীৰা-মুকুতাৰে ঠাহ খাই থকা মোনাটো শান্তাক দেখুৱালে। এইবোৰ দেখি শান্তাৰ মনত ভয় সোমাল। তাইৰ গিৰিয়েকটো চোৰনেকি!

শান্তাই সুধিলে বলভদ্ৰক, "এই বস্তুবোৰ—ক'ত পালা তুমি?"

"শুনা, মোৰ খং বৰ উগ্ৰ বুলি তুমি মোক বেয়া পোৱা, আৰু তাৰ কাৰণেই তুমি নিজৰ ঘৰ-দুৱাৰ এৰি গুচিও আহিলা। কিন্তু—শুনি কিজানি

তুমি বিশ্বাসেই নকৰিবা—মোৰ এই খঙেই লখিমী হৈ দেখা দিলে। মোৰ খং দেখি এদল চোৰে ভয় খাই মোক এইখিনি—মানে—মানে মোনাত থকা হীৰা-মুকুতাখিনি দিলে। কথাষাৰ তোমাৰ ওচৰত সাঁথৰ যেন লাগিছে, নহয়? শুনা তেন্তে।” এই বুলি কৈ, বলভদ্ৰই আনুপূৰ্বিক ঘটনা শান্তাক ক'লে।

বহুপৰলৈকে শুনি থকাৰ পাছত শান্তাই উদ্বিগ্নতাৰে ক'লে, “ঠিক আছে, আৰু ক'ব নালাগে একো। মই ঘৰৰপৰা গুচি আহিলে তোমাৰ খং কমিব বুলি মই ভাবিছিলোঁ, ভাবিছিলোঁ তোমাৰ নিশ্চয় পৰিৱৰ্তন হ'ব। কিন্তু তাৰ পৰিৱৰ্তে তোমাৰ মনত এই ধাৰণাই দ'কৈ শিপাইছে যে তোমাৰ খঙেই তোমাৰ লখিমী। গতিকে—তোমাৰ খং কমাৰ আশা আৰু নাই। মই আৰু কেতিয়াও ঘৰলৈ উভতি নাযাওঁ।”

বলভদ্ৰই শান্ত কণ্ঠেৰে ক'লে, “চোৱাঁ শান্তা, মোৰ খঙৰ কাৰণেহে তুমি ঘৰ এৰি গুচি আহিলা। মই যে দোষী—সেই কথা সকলোটিয়েই জানিলে। হীৰা-মুকুতা পোৱাটো এক আকস্মিক ঘটনা। খং কৰিলেই এইবোৰ পোৱা হ'লেহেঁতেন দুনীয়াৰ সকলো মানুহেই খং কৰিলে-হেঁতেন। গতিকে—খং মানে লখিমী—এই কথা অবান্তৰ কথা, ব'লা, এইবাৰ দুয়ো ঘৰলৈ যাওঁ ব'লা।”

তাৰ উগ্ৰ খঙৰ কাৰণে এতিয়া যে বলভদ্ৰ অনুতপ্ত, আৰু যে লজ্জিত, এই কথাটো শান্তাই উপলব্ধি কৰিলে। ইয়াত তাই বলভদ্ৰক বৰ ভাল ব্যৱহাৰ কৰা নাই; কিন্তু তাৰ প্ৰত্যুত্তৰত বলভদ্ৰ কিন্তু আগৰ দৰে উগ্ৰ হৈ উঠা নাই। বলভদ্ৰ নিশ্চয় পৰিৱৰ্তিত হৈছে। এইবোৰ কথা ভাবি শান্তাই শান্ত মনেৰে বলভদ্ৰৰ লগত নিজৰ ঘৰলৈ বুলি খোজ ল'লে।



দুই সুৰুয

জমিদাৰ সোমশেখৰ আছিল বৰ টোপনি-গছুৱা। ৰাতিপুৱা তেওঁ কেতিয়াও সাৰ নাপাইছিল, আৰু তাৰ ফলত কাম-কাজৰ ঢেৰ ক্ষতি হৈছিল। বহু দিনৰ পাছত, এই মৰ-টোপনিৰ কথাত আমনি পাই সোমশেখৰ জমিদাৰে তেওঁক টোপনিৰপৰা জগাবলৈ এজন মানুহ নিযুক্ত কৰিব বুলি ভাবি কথাটো তেওঁৰ গোমস্তা হৰিহৰক ক'লে। হৰিহৰে মনোহৰ নামৰ এজন যুৱকক জমিদাৰৰ ওচৰলৈ লৈ গ'ল। জমিদাৰে সোধ-পোছ কৰাৰ অন্তত মনোহৰক নিযুক্তি দিলে।

এদিন জমিদাৰে মনোহৰক ক'লে, "মনোহৰ, কাইলে ধলফাট নৌ দিওঁতেই নৰসিংহপুৰলৈ যাব লাগিব। তুমি মোক অলপ ৰাতি থাকোঁতেই জগাই দিবা।"

নৰসিংহপুৰৰ কাম-বন সামৰি, আবেলি-পৰতে জমিদাৰ ঘৰলৈ উভতি আহিল আৰু আহিয়েই মনোহৰক ক'লে, "চোৱাঁ মনোহৰ, তুমি মোক ঠিক সময়ত জগাই দিলা বুলিহে মই কামখিনি কৰিব পাৰিলোঁ। কালিলৈ জগন্নাথপুৰলৈ যাম, মোক পাঁচ ৰজাত জগাই দিবা।"

সেইদিনাও জমিদাৰে জগন্নাথপুৰৰ-পৰা উভতি অহাৰ পাছত মনোহৰক ক'লে "তোমাক কামত মকৰল কৰা মাত্ৰ দুদিনহে হ'ল। এই দুদিনৰ দৰমহা চাৰি টকা লোৱাঁ। তুমি অহা মাহৰপৰা মাহেকত ষাঠি টকাকৈ পাবা।"

তাৰ পাছত জমিদাৰে তেওঁৰ পোছাক-পাতি সলাই, আবেলিৰ জা-জলপান খাই, ভিতৰ-ঘৰৰপৰা ওলাই আহিয়েই লক্ষ্য

নীলকণ্ঠ নেওগ

কৰিলে যে মনোহৰে আন এজন যুৱকক দুটা টকা দিব ধৰিছে। জমিদাৰে ভাবিলেঃ মনোহৰে তাক টকা দিলে কেলেই? আৰু—এই যুৱকজন কোন? লগে লগেই জমিদাৰৰ মনত পৰিল যে এই যুৱকজন এইখন গাঁৱৰে, আৰু তাৰ নাম বংশী। বংশীৰ সৈতে দুদিনৰ আগতে ইয়ালৈ অহা মনোহৰৰ চিনাকি হ'ল কেনেকৈ—সেই কথাটো জমিদাৰে ভাবি উলিয়াব নোৱাৰিলে। জমিদাৰে মনোহৰক সুধিলে, "হেৰা মনোহৰ, তুমি বংশীক দুটা টকা দিলা কিয়?"

মনোহৰে সেমেনাসেমেনিকৈ ক'লে, "দিলোঁ মানে—মানে হ'ল—"

জমিদাৰে মনোহৰক ডাবি মাৰি ক'লে, "সঁচা কথা কোৱা।"

মনোহৰ তলমূৰ হৈ ক'লে, "যোৱা দুটা দিন আপোনাক মই টোপনিৰপৰা জগোৱাৰ আগতে সি মোক জগাইছিলহি। সি মোক নজগোৱাহেঁতেন আপোনাকো মই জগাব নোৱাৰিলোহেঁতেন।"

জমিদাৰে উপলব্ধি কৰিলে তেওঁৰ আৰু মনোহৰ হ'ল একেখন আকাশতে দুই সূৰুয। এক টোপনি-গছুৱাই তাক জগাবলৈ আন এক টোপনি-গছুৱাক মাতি আনিছে। পিছে—মনোহৰৰ বুদ্ধিক শলাগি হাঁহি মাৰি তেওঁক মনোহৰক ক'লে, "শুনা মনোহৰ, আজিৰপৰা তুমি আমাৰ মালীৰ কাম কৰিবা।" তাৰ পাছত বংশীক ক'লে, "বংশী, যোৱা দুদিন ধৰি তুমি মনোহৰক জগালা, এতিয়াৰপৰা মোক জগাব পাৰিবানে?"

বংশীয়ে সন্মতি জনোৱাৰ পাছত জমিদাৰে পুনৰ সুধিলে, "বাৰু, তুমি যি টকা দুটা পালা, তাৰপৰা আন কাৰোবাকো এটকা দিব লাগিবনেকি?"

বংশীয়ে জমিদাৰৰ কথা বুজি পাই ক'লে, "নহয়, মোৰেই থাকিব।"



শিৱ-পুৰাণ

২

নন্দীশ্বৰক লগত লৈ সতীদেৱী যেতিয়া যজ্ঞথলীলৈ উপস্থিত হ'লগৈ, তেতিয়া সতীদেৱীৰ মাতৃ প্ৰসূতি আৰু সহোদৰ-সকলে সতীদেৱীৰ কুশলসম্বাদ সুধিলে।

জীয়েকক তাত দেখা পোৱামাত্ৰেই দক্ষৰ খং উঠিল। আচলতে খং আছিল জোঁৱায়েক শিৱৰ ওপৰতহে। কিন্তু তেওঁ জীয়েক সতীদেৱীৰ ওপৰতে খং জাৰিবলৈ ধৰিলে। দক্ষই ক'লে, "তোমাৰ গিৰিয়েকটো হ'ল শ্মশানবাসী। যতমানে ভূত-পিশাচহে তাৰ লগৰীয়া। সি তাৰ লগত মৰা মানুহৰ লাওখোলা লৈ ফুৰায়। সি এটা অপবিত্ৰ। তাক তো আমি নিমন্ত্ৰণ কৰা নাই! তুমিনো বিনা নিমন্ত্ৰণে কিয় ইয়ালৈ আহিলা? তোমাৰ আকল-বুধি একেবাৰেই নাইনে? সি যেতিয়া অপবিত্ৰ, তুমিও অপবিত্ৰা।"

সতীদেৱীয়ে তেওঁৰ পিতৃক ক'লে, "দেউতা, যিকোনো যজ্ঞৰ যজ্ঞকৰ্তা হ'ল শিৱ। তেওঁৰ আবিৰ্ভাব বিনে তুমি যজ্ঞ পাতিছা, আকৌ তেওঁক গালিও পাৰিছা। যজ্ঞ ভালকৈ আৰু বিশুদ্ধকৈ কৰিবৰ মন আছে যদি—এতিয়াও সময় আছে—তেওঁক নিমন্ত্ৰণ কৰি লৈ আহাঁ। মই কোৱা মতে কাম নকৰা যদি, তোমাৰ যজ্ঞ অসম্পূৰ্ণ হ'ব। আৰু জানি থোৱা কথা মাথোন সিমানেই নহয়, তাৰ ফলত তোমাৰ মৃত্যু হ'ব।"

'দক্ষযজ্ঞ'

সেয়েহে, অহাজনমত শিৱকেই পতিৰূপে পোৱাৰ আকাংক্ষা মনত বান্ধি লৈ যোগ-শক্তিৰ বলেৰে সতীয়ে নিজ দেহ জুইৰে প্ৰজ্জ্বলিত কৰি প্ৰাণ বিসৰ্জিলে।

লগে লগে নাৰদে আন কেইগৰাকী-মানক লগত লৈ শিৱৰ কাষ চাপিল। সকলো কথা শুনি শিৱে সংহাৰমূৰ্তি ধাৰণ কৰিলে। নিজৰ মস্তকৰপৰা এডাল জটা ছিঙি লৈ পৰ্বতৰ গালৈ দলিয়াই দিয়াৰ লগে লগেই সেই জটাৰপৰা ভদ্ৰকালী আৰু এহেজাৰ হাত থকা বীৰভদ্ৰৰ সৃষ্টি হ'ল। বীৰভদ্ৰৰ উজ্জ্বলতা আছিল এক কোটি সূৰ্য্যৰ সমান। বীৰভদ্ৰই শিৱক প্ৰণাম কৰি সুধিলে, "হে পিতা, তোমাৰ নিৰ্দেশ কি কোৱা।"

"বোপা বীৰভদ্ৰ, তুমি আৰু ভদ্ৰ-কালীয়ে মিলি দক্ষৰ যজ্ঞ ধ্বংস কৰাৰ লগে লগে তাত উপস্থিত থকাসকলকো দণ্ড দিবা, এয়ে মোৰ নিৰ্দেশ।"

নন্দীশ্বৰ, চণ্ডীশ্বৰ, ভৈৰৱ আৰু আন অসংখ্য অনুচৰক লগত লৈ, সিংহ চালিত ৰথত উঠি বীৰভদ্ৰ ৰাওনা হ'ল দক্ষৰ যজ্ঞথলীলৈ। ইপিনে—ভদ্ৰকালীয়েও সিংহৰ পিঠিত উঠি মহাকালী, গৌৰী, কাত্যায়নী, চামুণ্ডা আদি মহাশক্তিসহ দক্ষৰ যজ্ঞথলীলৈ ৰাওনা কৰিলে।

তাত উপস্থিত থকা বহুতেই সতী-দেৱীৰ কথা মানি ল'বলৈ দক্ষক অনুৰোধ কৰিলে। কিন্তু দক্ষই উগ্ৰ ক্ৰোধেৰে ক'লে, "সতী, তুমি জী হ'লেও এতিয়া এক অপৱিত্ৰ স্বামীৰ স্ত্ৰী। মই তোমাৰ মুখদৰ্শন কৰিবলৈ নিবিচাৰোঁ। তুমি মুহূৰ্ততে যজ্ঞথলীৰপৰা আঁতৰ হোৱা।"

পিতৃৰ কথাই সতীৰ বুকুত হুল হৈ বিন্ধিলে। শিৱৰ কথা উপেক্ষা কৰি ইয়ালৈ অহা যে নিদাৰুণ ভুল হ'ল—তেতিয়াহে সতীদেৱীয়ে উপলব্ধি কৰিলে। কিন্তু পিতৃৰপৰা অপমান পাই স্বামীৰ ওচৰলৈ উভতি যোৱাৰ সত নগ'ল তেওঁৰ।

দক্ষৰ যজ্ঞশালাত প্ৰলয়কাণ্ড লাগি পৰিল। তাত হাজাৰ-বিজাৰ উল্কাপিণ্ড বৃষ্টিধাৰাৰ দৰে সৃষ্টি হৈ সবেগে পৰি থাকিল। তেজৰ নৈ বৈ গ'ল। আকাশৰ-পৰা বিষাক্ত সাপ, বিছা আদি বৰষিবলৈ ধৰিলে। যজ্ঞশালাত উপস্থিত থকাহঁতৰ মাজত বহুতেই দক্ষক গালি পাৰি থাকিল।

বীৰভদ্ৰৰ বাহিনীয়ে যজ্ঞথলীৰপৰা ওলাই অহাসকলক বন্দী কৰিলে। তাৰ পাছত বীৰভদ্ৰ যজ্ঞশালাত সোমালগৈ।

বীৰভদ্ৰৰ বাহিনীয়ে তাত উপস্থিত থকা দেৱতা আৰু মুনি-ঋষিসকলকো প্ৰচণ্ডভাৱে মৰিয়ালে। দক্ষক দেখামাত্ৰেই বীৰভদ্ৰৰ ক্ৰোধ শতগুণে চৰিল। বীৰভদ্ৰই পিতৃদেৱ শিৱক অপমান কৰাৰ অপমানত জ্বলি উঠি, দক্ষৰ মস্তক ছিন্ন কৰি, দক্ষৰ সেই মস্তক হোমাগ্নিত দলিয়াই পেলালে।

তাৰ পাছত বীৰভদ্ৰই ঋত্বিক আৰু আৰু দেৱতাসকললৈ গৰ্জি উঠি ক'লে, "বিদ্ৰোহী দক্ষৰ নিমন্ত্ৰণ ৰক্ষা কৰাৰ ফল এতিয়া ভোগ কৰাঁ।" এই বুলি কৈ, বীৰভদ্ৰই তাৰ বাহিনীৰে সৈতে নানান ধৰণৰ অত্যাচাৰ কৰিবলৈ ধৰিলে।

এই অত্যাচাৰ বীভৎস আকাৰ ধাৰণ কৰাত দক্ষৰ পত্নী প্ৰসূতী আৰু অন্যান্য মহিলাই কাতৰভাৱে ভদ্ৰকালী আৰু বীৰভদ্ৰক শান্ত হ'বলৈ অনুৰোধ কৰাত অত্যাচাৰ বন্ধ কৰি কৈলাসলৈ গুচি গ'ল।

ইতিমধ্যে বীৰভদ্ৰ আৰু ভদ্ৰকালীৰ অত্যাচাৰেৰে জৰ্জৰিত হৈ দেৱতা আৰু ঋষিগণ ব্ৰহ্মাৰ ওচৰলৈ লৰৰি গ'ল। সকলো কথা মন দি শুনাৰ পাছত ব্ৰহ্মাই এওঁলোকক বৈকুণ্ঠলৈ লৈ গ'ল আৰু বিষ্ণুক ক'লে ঘটনাৰ কথা। বীৰভদ্ৰই দক্ষৰ মস্তক ছিন্ন কৰাৰ কথা শুনি বিষ্ণু বিচলিত হ'ল। তাৰ পাছত সকলোটি মিলি কৈলাস পৰ্বতলৈ গ'ল। তেতিয়া দেৱাদিদেৱ শিৱ আছিল ধ্যানমগ্ন।



এয়া আমাৰ সম্মিলিত অনুৰোধ।"

তেওঁলোকৰ অনুৰোধ ৰক্ষা কৰাত সন্মত হৈ শিৱে ক'লে, "তথাস্তু। তেনেহ'লে আমি সকলোটিয়ে মিলি যজ্ঞশালালৈ যাওঁ ব'লা। যজ্ঞ সম্পূৰ্ণ কৰি বিশ্ব-ব্ৰহ্মাণ্ডক বিপৰ্য্যয়ৰপৰা ৰক্ষা কৰোঁগৈ।"

তেওঁলোক দক্ষৰ যজ্ঞথলী পালেগৈ। তাত তেতিয়া বীভৎস দৃশ্য। হোমকুণ্ডত দক্ষৰ মস্তক বিচাৰি পোৱা নগ'ল। তেতিয়া শিৱই বীৰভদ্ৰক ক'লে, "তুমি উত্তৰদিশলৈ গৈ উত্তৰ দিশলৈ শিতান লোৱা মস্তক এটা কাটি আনাগৈ।"

বীৰভদ্ৰই এটা ভেড়াক উত্তৰমুৰা হৈ শুই থকা দেখা পাই তাৰ মূৰটো কাটি আনি দক্ষৰ দেহত সাঙুৰি দিয়াৰ লগে লগেই ভেড়ামূৰীয়া দক্ষ পুনৰ্জীৱিত হৈ উঠিল। ভেড়ামূৰীয়া দক্ষই যজ্ঞ সম্পূৰ্ণ কৰিলে শিৱৰ উপস্থিতিত। এই যজ্ঞ সমাপ্ত কৰাৰ অন্তত দক্ষই শিৱৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা কৰি ক'লে, "তোমাৰ এই অপৰিসীম ক্ষমতাৰ কথা মই উপলব্ধি কৰিব পৰা নাছিলোঁ। তোমাক নিন্দি মই মোৰ মূৰটোকে হেৰুৱালোঁ। তোমাৰ অনুগ্ৰহতে মূৰ এটা পালোঁ, যদিও এই মূৰ মগজু নথকা মূৰহে। মোৰ অপৰাধ মাৰ্জনা কৰি ৰক্ষা কৰা, হে শিৱ।"

শিৱৰ ধ্যানত বিঘ্ন ঘটিল। শিৱই ব্ৰহ্মা, বিষ্ণু আৰু অন্যান্য ঋষিগণকো বহিবলৈ অনুৰোধ কৰিলে।

বিষ্ণুৱে শিৱক ক'লে, "হে শিৱ, এতিয়া কোপাগ্নি ত্যাগ কৰা। দক্ষই তেওঁৰ কৃতকৰ্মৰ—তথা তোমাক অপমান কৰাৰ ফল পালে। কিন্তু আন এটা কথা মনত ৰাখিব লাগিব যে—দক্ষই পতা যজ্ঞ যদি অসমাপ্ত থাকি যায় তেনেহ'লে বিশ্বব্ৰহ্মাণ্ডৰ প্ৰচণ্ড বিপৰ্যয় হ'ব। সেয়েহে—আমাৰ অনুৰোধ—দক্ষৰ পুনৰ্জীৱিত কৰি যাতে এই যজ্ঞ সম্পূৰ্ণ হয়, তাৰ ব্যৱস্থা কৰিব লাগে।

শিৱে দক্ষক ক্ষমা কৰি ক'লে, "হে দক্ষ, কাৰণ বিনে কাৰ্য্য নহয়। তোমাৰ অপৰাধ মই ক্ষমা কৰিলোঁ। এতিয়া মোৰপৰা বৰ প্ৰাৰ্থনা কৰিলেই পাবা।"

দক্ষ আৰু তেওঁৰ পত্নীয়ে এই যজ্ঞথলী শিৱৰ আলয় (বাসস্থান) হোৱাৰ বাবে বৰ খুজিলে। শিৱ সন্মত হ'ল।

তাৰ পাছত শিৱে সতীৰ দেহৰে সৈতে ব্ৰহ্মা, বিষ্ণু আৰু ঋষিগণক লৈ কৈলাসলৈ গ'ল আৰু ঋষিসকলক তাৰপৰা বিদায় দিলে। তাৰ পাছত সতীৰ দেহ সমুখত স্থাপন কৰি শিৱ গভীৰভাৱে ধ্যানমগ্ন হ'ল।

দক্ষৰ জীয়েকসকলৰ মাজত স্বধাই দেৱতা-পত্নী হৈ মেনকা, ধন্যা আৰু কলাৱতী নামৰ তিনিজনী কন্যাৰ মাতৃ হ'ল। এই তিনিজনীয়েই আছিল পৰমা-সুন্দৰী। এওঁলোকে প্ৰত্যেকৰ ইচ্ছা-পূৰণ কৰি সমস্ত লোক ভ্ৰমি ফুৰিছিল।

এবাৰ এই তিনিজনীয়ে মহালক্ষ্মী আৰু বিষ্ণুৰ আগত নৃত্য কৰি আৰু গীত শুনাই তেওঁলোকক মুগ্ধ কৰিছিল। তাৰ পাছত তাত বহি গল্প কৰি থাকোঁতে তাত ব্ৰহ্মাৰ মানসপুত্ৰ সনকসনন্দগণ তালৈ আহিল। বিষ্ণুৱে তেওঁলোকক নমস্কাৰ কৰি অভ্যাৰ্থনা জ্ঞাপন কৰিলে। কিন্তু মেনকা, ধন্যা আৰু কলাৱতীয়ে কোনো সন্মান প্ৰদৰ্শননকৰিলে তেওঁলোকলৈ।

এই ঘটনালৈ লক্ষ্য কৰি সনৎকুমাৰে সিহঁতক ককৰ্থনা কৰি ক'লে, "তোমা-লোকৰ অহংকাৰ বৰ বাঢ়িল দেখিছোঁ। স্বৰ্গত তোমালোকৰ আৰু ঠাই নাই। তোমালোক ভূলোকলৈ গৈ তাতে বিয়া-বাৰু কৰাই থাকাঁগৈ যোৱা।"

তেতিয়াহে সিহঁত তিনিও কিবা এটা ভুল কৰা বুলি গমিলে। সিহঁতি অনুতপ্ত হৈ ক'লে, "হে মুনিগণ, আমি অজ্ঞানতা-বশতঃ ভুল কৰি পেলাইছোঁ, আমাক ক্ষমা কৰক, আমাক শাপমুক্ত কৰক।"



সনকসনন্দসকলে ক'লে, “অহংকাৰৰ প্ৰায়শ্চিত্ত হ'ল অহংকাৰমুক্ততা। আমাৰ অভিশাপেৰে মানৱৰ মংগল সাধিত হ'ব (এই কথা সত্য হ'ল—এই তিনিওগৰাকীৰ গৰ্ভৰপৰা ওপজাসকলে তিনিও যুগৰ অৱতাৰ-পুৰুষসকলক বিয়া কৰাইছিল। মেনকাৰ গৰ্ভত ওপজা পাৰ্বতীয়ে শিৱক বিবাহ কৰাইছিল। জনক মহাৰাজ আৰু ধন্যাৰ কন্যা আছিল সীতা। সীতাক শ্ৰীৰামচন্দ্ৰই বিবাহ কৰাইছিল। বৃষভ আৰু কলাৱতীৰ সন্তান আছিল ৰাধা। ৰাধা আছিল কৃষ্ণৰ পত্নী)। এনে ধৰণৰ ঘটনা ঘটিব বুলি অনুধাৱন কৰি মেনকা, ধন্যা আৰু কলাৱতী বিষ্ণুৰপৰা বিদায় লৈ গুচি গৈছিল।

হিমালয়ৰ ৰজা হিমৱন্ত দেখাত আছিল অতি সুন্দৰ। তেওঁ সদায় পৰ্বতীয়া অঞ্চলত ভ্ৰমি ফুৰিছিল—সেইবোৰ অঞ্চলত মহৰ্ষিসকলৰ অনুষ্ঠিত যজ্ঞ আৰু দেৱতা-সকলৰ আয়োজিত যজ্ঞানুষ্ঠানসমূহত কিবা বাধা-বিঘ্ন উপস্থিত হৈছেনে কি তাৰ অনুসন্ধান কৰিবলৈ। এই কথাত ঋষি-সকলে ভাল পাই তেওঁলোকে মেনকাৰ সৈতে হিমৱন্তৰ বিয়াৰ ব্যৱস্থা কৰিলে।

এদিন ব্ৰহ্মা, বিষ্ণু আৰু অন্যান্য দেৱতা হিমৱন্তৰ ওচৰলৈ গ'ল। তেওঁ-লোকে হিমৱন্তক ক'লে, “মহাশক্তিমান দক্ষৰ এগাকী জীয়েক আছিল। তেওঁৰ নাম আছিল সতী, সতী শিৱৰ সৈতে বিবাহিত হৈছিল। কিন্তু শিৱনিন্দা সহিব নোৱাৰি সতীয়ে দেহত্যাগ কৰিছিল। সেই সতীৰ মৃতদেহ সন্মুখত স্থাপন কৰি শিৱ আজিও ধ্যানমগ্ন। এতিয়া তাড়কা-সুৰ নামৰ এটা ৰাক্ষস ৰজা হৈ সমস্ত লোকত নিজৰ প্ৰতাপ প্ৰদৰ্শন কৰি ফুৰিছে। মহাশক্তিৰ আবিৰ্ভাৱ আৰু শিৱৰ সৈতে সেই মহাশক্তিৰ মিলনৰ ফলত এটি পুত্ৰসন্তান নোপজালৈকে

Sankar

তাড়কাসুৰৰ এই অত্যাচাৰ চলি থাকিব। সেয়েহে, তুমি আৰু মেনকাই যাতে সেই মহাশক্তিৰ জন্ম দিব পাৰা, তাৰ বাবে তপস্যা কৰাঁ, এয়ে অনুৰোধ।"

তাৰ পাছত ব্ৰহ্মা, বিষ্ণু আৰু মহেন্দ্ৰ প্ৰমুখই বিন্ধ্যপৰ্বতলৈ গৈ তাত তপস্যা কৰি থকা মহাদেৱীক অত্যন্ত ভক্তিযুক্ত মনেৰে স্মৰিলে।

চাৰিওদিশ উজল কৰি সহস্ৰ হস্তত ত্ৰিশূলাদি অস্ত্ৰ ধাৰণ কৰি এক নাৰীমূৰ্তি আবিৰ্ভূতা হ'ল। এই নাৰীমূৰ্তিক ব্ৰহ্মাই ক'লে, "হে দেৱী! তুমি তাহানিতে আছিলা দক্ষ-জীয়ৰী সতী, শিৱ আছিল তোমাৰ পতি। পিতৃয়ে পতিনিন্দা কৰাত তুমি দেহত্যাগ কৰিছিলা। তোমাক হেৰুৱাই শিৱ গভীৰ তপস্যাত মগ্ন হ'ল। তেতিয়াৰেপৰাই স্বৰ্গ, মৰ্ত্য আৰু পাতালতো তাড়কাসুৰ নামক এক ৰাক্ষসৰজাৰ অত্যাচাৰ চলি আছে। তোমাৰ ওচৰত আমাৰ প্ৰাৰ্থনা, তুমি মেনকা আৰু হিমৱন্তৰ কন্যাৰূপে জনমি, পাৰ্বতী নাম ধাৰণ কৰি শিৱক বিবাহ কৰালে এই তিনিও লোক ৰক্ষা পৰিব।"

মহাদেৱীয়ে ব্ৰহ্মা, বিষ্ণু আৰু মহেন্দ্ৰৰ অনুৰোধ ৰক্ষাৰ প্ৰতিশ্ৰুতি দান কৰি তাৰপৰা তৎক্ষণাৎ অন্তৰ্হিতা হ'ল।

ইতিমধ্যে মেনকা আৰু হিমৱন্তৰো ব্ৰহ্মা-বিষ্ণুৰ কথা মতে কাম কৰি আছিল। এদিন মহাশক্তি স্বয়ং তেওঁলোকৰ আগত উপস্থিত হ'ল আৰু তেওঁলোকক বৰ প্ৰাৰ্থনা কৰিবলৈ ক'লে।

তেতিয়া মেনকা আৰু হিমৱন্তই ক'লে "হে দেৱী! আমাৰ ঘৰত তুমি জন্ম লৈ যদি শিৱক বিবাহ কৰাঁ, তেনেহ'লে আমাৰ কীৰ্তি শাশ্বত হৈ থাকিব।"

মহাদেৱীয়ে মেনকা আৰু হিমৱন্তৰ ইচ্ছাপূৰণৰ প্ৰতিশ্ৰুতি দি চকুৰ পচাৰতে অন্তৰ্হিতা হৈ পৰিল।

সত্যশৰণ চৰাই

বাগদাদ নগৰৰ ওচৰতে আছিল লানিলগা পাহাৰ আৰু অৰণ্য। এই পাহাৰুৱা অঞ্চলত আছিল এটা ধুৰন্ধৰ চোৰ। বয়সত সি যুৱক, দেহত তাৰ যথেষ্ট শক্তি। সি বায়ুবেগেৰে লৰা ধপৰা কৰিব পাৰিছিল। সি হেলাৰঙে মানুহৰ ডিঙি ঘচংকৈ কাটি পেলাব পাৰিছিল।

এই পাহাৰুৱা অঞ্চলৰ কাষেদি এছোৱা বাট আছিল। এই বাটেদি যোৱা বাটৰুৱাহঁতৰ যথাসৰ্বস্ব কাঢ়ি লৈ চোৰটোৱে সিহঁতক নিমিষতে মাৰি পেলাইছিল। দেশৰ ছুলতানে চোৰটোক ধৰিবলৈ বহু দিন চেষ্টা কৰিও ব্যৰ্থ হ'ল। এদিন গধূলিপৰতে এজন বুঢ়া মানুহ সেই বাটেদি গৈ আছিল। এই বুঢ়া মানুহজন আছিল আন অঞ্চলৰ মানুহ।

চোৰটোৱে বুঢ়াৰ আগত বুকু ফিন্দাই থিয় দি ক'লে, "তোমাৰ যি আছে সকলো এতিয়াই দি দিয়া।"

বুঢ়াই ভয় খাই কাবৌকৈ ক'লে, "চোৰাঁ বোপা, মই সমগ্ৰ জীৱনকাল ধৰি যিখিনি সাঁচিব পাৰিছো, এই মোনটোতে আছে। মোৰ বিবি ঢুকাল। মোৰ ধনৰ আধাখিনি ছোৱালীজনীক দি বাকীখিনিৰে মই কথমপি জীৱনৰ শেষকালছোৱা কটাম বুলি ভাবিছোঁ।"

বুঢ়াৰ কথা শুনি চোৰটোৱে হো হোৱাই হাঁহি উঠি ক'লে, "চোৰাঁ বুঢ়া, এই বাটেদি যোৱাহঁতে সদায় মোক সৰ্বস্ব দি যায়। তোমাৰখিনিও দিয়া।"

তাৰ পাছত বুঢ়াই মোনাটো চোৰটোক দিলে আৰু গুচি যাবলৈ খোজ ল'লে।



ছুখোজমান দিওঁতেই চোৰটোৱে ডাবি মাৰি কৈ উঠিল, যোৱা ক'লে।"

এই কথা শুনি বৃদ্ধই ক'লে, "মোৰ ওচৰত তো আন একো নাই, বোপা। মই শুদা হাতেৰে গুচি যাব ধৰিছোঁ।"

"মই কেৱল বয়-বস্তু ধন-সোণ কাঢ়ি নলওঁ, জান্‌ও (জীৱ) কাঢ়ি লওঁ। মই সকললোকে মাৰি পেলাওঁ।" চোৰটোৱে দম্ভি মাৰি ক'লে।

বুঢ়া মানুহজনে ঠিৰঠিৰকৈ কঁপি কঁপি ভয়াৰ্ত দৃষ্টিৰে চাৰিওফালে চাবলৈ ধৰিলে। ঠাইটুকুৰাত জন-প্ৰাণীৰ চিন-ছাবো নাই, একেবাৰে নিমাওমাও। তাৰ পাছত বুঢ়াই মূৰ দাঙি আকাশলৈ চালে। সেই মুহূৰ্তত আকাশপথেদি এটি সত্যশৰণ চৰাই, উৰি উৰি গৈ আছিল। বৃদ্ধই চৰাইটিলৈ চাই চিঞৰি কৈ উঠিল, "চোৱাঁ সত্য-শৰণ চৰাই, ইয়াত যিবোৰ কুকৰ্ম, অন্যায় অত্যাচাৰ চলি আছে—তুমি তাৰ সাক্ষী হৈ থাকিলা। মোৰ ওচৰত থকা যথা-সৰ্বস্ব এই চোৰটোৱে কাঢ়ি লৈছে, আৰু এতিয়া মোক সি মাৰি পেলাব।"

বুঢ়াৰ কথা শেষ হোৱাৰ লগে লগেই চোৰটোৱে বুঢ়াৰ মূৰ কাটি পেলালে।

এই ঘটনাৰ বহু দিনৰ অন্তত চোৰটোৱে এদিন ভাবিলে ঃ মোৰ এতিয়া যথেষ্ট ধন হ'ল। এতিয়া আৰু চুৰি-তাৰি নকৰি নগৰলৈ গৈ বেহা-বেপাৰত ধৰিলে ময়ো এজন সম্মানিত নাগৰিকৰ সুখ-সুবিধা, মৰ্য্যাদা পাই থাকিম।

এই কথা ভাবি, এদিন সি নগৰলৈ গৈ, বেহা-বেপাৰ আৰম্ভ কৰিলে।

চোৰটো পাশাখেলত আছিল ওস্তাদ। সি দবাও খেলিব পাৰিছিল। কিন্তু পাশাখেলৰ গুণৰ কাৰণে এদিন দেশৰ ছুলতানৰ সৈতেও তৰে চিনাকি হ'ল। তাৰ উচ্চমানদণ্ডৰ পাশা খেলা দেখি ছুলতান তাৰ প্ৰতি আকৃষ্ট হ'ল।

সময়ৰ লগে লগে দুয়োৰো মাজত

এক বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি উঠিল। খেলাৰ অন্তত ছুলতান আৰু চোৰটো পানশালালৈ (ভাটীখানা) গৈছিল। যিদিনা মদ খোৱা বেছি পৰিমাণে হৈছিল, সেইদিনা চোৰটো বৰ কথাবাহী হৈ পৰিছিল। ছুলতানে তাৰ কথা কেতিয়াও বৰ গুৰুত্ব সহকাৰে নুশুনিছিল। কিয়নো—সি মদৰ ৰাগীতহে তেনেবোৰ কোৱা বুলি ভাবিছিল।

এনিশা দুয়ো ছুলতানৰ প্ৰাসাদত খাবলৈ বহিল। চোৰটোৱে লক্ষ্য কৰিলে যে— বিৰাট কাঁহী এখনত এটা গোটা সত্যশৰণ চৰাই ভাজি থোৱা হৈছে। এই চৰাইটোক দেখামাত্ৰেই চোৰটোৱে হো হোৱাই হাঁহিবলৈ ধৰিলে।

হাঁহিৰ হেতু বুজিব নোৱাৰি ছুলতানে চোৰটোক সুধিলে, "কথানো কি? ৰন্ধন ভাল হোৱা নাইনে কি? পৰিবেশনত কিবা ত্ৰুটি ঘটিলনে?"

চোৰটোৱে টপৰাই কৈ উঠিল, "নহয় নহয়—সেইবোৰ একো নহয়। কথা আন। হঠাৎ এই ভজা চৰাইটোক দেখি অতীতৰ এটা ঘটনা মনত পৰিল। মই আগতে পৰ্বতীয়া অঞ্চলত আছিলোঁ। সেই অঞ্চলাদি যোৱা বাটৰুৱাইতৰ সৰ্বস্ব কাঢ়ি লৈ মই বাটৰুৱাকো মাৰি পেলাইছিলোঁ। এবাৰ এটা বুঢ়াই মৰাৰ আগতে আকাশলৈ চাই এই সত্যশৰণ চৰাইক তাৰ হত্যাৰ সাক্ষী মানিছিল।

চৰায়ে কেতিয়াবা সাক্ষী দিব পাৰেনে? হেঃ—বুঢ়াটো আছিল এটা অলগৰ্ধ।" এই বুলি কৈ, চোৰটোৱে পুনৰ হো হোৱাই হাঁহি মাৰি ভজা চৰাইটোক কাঁহীৰপৰা হাতেৰে দাঙি ধৰি আকৌ কৈ থাকিল, "বাৰু চৰাই, সঁচাকৈ কোৱাঁচোন—সেই বুঢ়াৰ কথা তুমিহে শুনিছিলানে? তুমিয়েই আছিলানেকি? অৱশ্যে—ঠিক সেইটো নহ'লেও তুমি নিশ্চয় সেই সত্যশৰণ চৰাইটোৰ পৰিয়ালৰে এটা। ওচৰ সম্পৰ্কীয় নহ'লেও দূৰ-সম্পৰ্কৰ নিশ্চয় কোনোবা-কুনুবি তুমি। কি কোৱাঁহে?" এই বুলি কৈ কৈ চোৰটোৱে পুনৰ হাঁহি থাকিল। হঠাৎ ছুলতানৰ মনত পৰিল সেই চোৰটোৰ কথা—যিটো চোৰক ধৰিবলৈ তেওঁ অতীতত বহু চেষ্টা কৰিও ব্যৰ্থ হৈছিল। ছুলতানৰ চকু ৰঙা হৈ উঠিল। ছুলতানৰ ভয়ংকৰ চাৱনিলৈ লক্ষ্য কৰি চোৰটো আশংকিত হৈ উঠিল।

তেতিয়া ছুলতানে তাক গম্ভীৰ কণ্ঠেৰে ক'লে, "খাবলৈ বহিছা, খাই লোৱা। এয়ে সেই সত্যশৰণ চৰাই—যিটো চৰায়ে বৃদ্ধৰ হত্যা দেখিছিল। ই নিজৰ মৃত্যুৰ আগতে সেই কথা কৈ গ'ল। মৃত্যুৰ আগতে সাক্ষ্যদান কৰি পক্ষীটোৱে অতি পৱিত্ৰ কাম এটা কৰিলে।"

ছুলতানৰ কথা শুনি চোৰটোৰ নিচা নোহোৱা হৈ গ'ল। ভয়ত সি অৱশ হৈ পৰিল। সি খাব নোৱৰা হ'ল।

খোৱাৰ পাছত চোৰটোৱে বহু কষ্টেৰে হাত-মুখ ধুই আহিল। তেতিয়া ছুলতানে প্ৰহৰীহঁতক ক'লে, "ভদ্ৰবেশী এই চোৰ আৰু এই জন্য নৰহত্যাকাৰীটোক এতিয়াই বধ কৰাঁগৈ।"

প্ৰহৰীহঁতে চোৰটোক চোঁচোৱাই লৈ গ'ল আৰু বধ কৰিলে। এইদৰে, বৃদ্ধই যে এদিন এটা চৰাইক সাক্ষী হিচাপে মানিছিল, সেই সাক্ষীৰ সাক্ষ্য সাৰ্থক হ'ল।

অৱলুপ্তিৰ বাটত পশুপক্ষী

প্ৰকৃতিৰ বুকুত অসংখ্য জীৱ-জন্তু আছে। এইবোৰ জীৱ-জন্তুক আমি ৰক্ষা নকৰিলে এদিন জগতৰ সকলো পশু-পক্ষী নিশ্চিহ্ন হোৱাৰ আশংকা আছে।

বিগত শতিকাৰ মাজভাগত উত্তৰ আমেৰিকাৰ প্ৰতিখন আনন্দনুষ্ঠানত আটাইতকৈ প্ৰিয় খাদ্য আছিল পেছেঞ্জাৰ পিজিয়ন নামৰ এজাতি পাৰচৰাই। মিচিগান-পেনছিলভানিয়া প্ৰান্তত এবছৰৰ ভিতৰত ডেৰকোটি পাৰচৰাই মানুহ খাদ্য হিচাপে ব্যৱহৃত হৈছিল ১৮৮৮ চনৰ ভিতৰত এই জাতীয় পাৰচৰাইৰ বংশ লুপ্ত হৈ আছিল। ছিন্‌ছিনাটি চিৰিয়াখানাত ৰক্ষিত পাৰচৰাই ১৯১৪ চনত নিশ্চিহ্ন হৈ গ'ল।

এনে ধৰণৰ বহু সংখ্যক চৰাই আৰু জন্তু আছিল। পিৰৰ্তনৰ লগে লগে মানুহে ১০০ ধৰণৰ পশু আৰু ১৬০ ধৰণৰ পক্ষী খাই শেষ কৰিলে। এতিয়া ১০০০ ধৰণৰ পশু আৰু ২০,০০০ ধৰণৰ গছ-গছনিয়ে ধ্বংসৰ বাট চাই আছে। এনে অৱলুপ্তিৰ বাটত থকাইতৰ ভিতৰত তিমিও অন্যতম। কিউবা আৰু দক্ষিণ আমেৰিকাত এসময়ত অতি ধুনীয়া নেজাল চৰাই দৃষ্টিগোচৰ হৈছিল। এক বিশেষ ধৰণৰ গছত সিহঁতে বাহ সাজি বাস কৰিছিল। কিন্তু সেইজাতীয় গছৰ অৱলুপ্তিৰ লগে লগে এইজাতীয় চৰায়ো অৱলুপ্ত হ'ল। ব'নিঅ'ত আছিল ওৰাংওটা নামৰ নেগুৰ নথকা এজাতি বান্দৰ। সিহঁত আজি আৰু পৃথিৱীত নাই। দক্ষিণ আমেৰিকাত জাগুৱাৰ নামৰ এজাতি নাহৰফুটুকী আছিল। সিহঁতো নিশ্চিহ্ন হ'ল।

আৰৱদেশৰ অ'ৰিক্স নামৰ জন্তুক আৰিজোনাৰ প'নিক্স চিৰিয়াখানাত সংৰক্ষিত কৰা হৈছিল। হাওৱাই ৰাজ্যৰ প্ৰায় নিশ্চিহ্ন নী নী জাতীয় হাঁহ দেখি স্যাৰ পিটাৰ স্কটে শ্লিম ব্ৰিজৰ ওচৰত সিহঁতৰ ৰক্ষণাবেক্ষণৰ বাবে ব্যৱস্থা ল'লে।



ফটো-নামকৰণ প্ৰতিযোগিতা ঃ ঃ পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৫ চনৰ জুলাই সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৫ চনৰ মে' মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৫ চনৰ মাৰ্চ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : গছৰ গইনাত যি

দ্বিতীয় ফটো : স্তম্ভশিলাতো সি

পুৰস্কাৰ পাওঁতা : ৰুবুল মুদৈ, কছাৰীগাঁও, যোৰহাট।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

['জানিবলগীয়া'ৰ উত্তৰ]

১। ব'নিও ২। আইবিৰিয়া ৩। হাইফা ৪। ছাইদ ছুয়েজৰ তীৰ ৫। আমুদৰিয়া।

Printed by B. V. REDDI at Prasad Process Private Ltd., and Published by B. VISWANATHA REDDI for CHANDAMAMA CHILDREN'S TRUST FUND (Prop. of Chandamama Publications) 188, Arcot Road, Madras-600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adopting them in any manner will be dealt with according to law.

ৰং-ৰহইচৰ ৰজা...গোল্ড স্পটৰ মজা!
GOLD SPOT
GOLD SPOT
GOLD SPOT
Trikaya-GS-2-85-ASM
Artificially flavoured. Contains no fruit juice or fruit pulp.
serve chilled
GOLD SPOT

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

লতোভা দলে পাহাৰলৈ আনে

বোৰ কেনেকৈ কটোৱা যায়।
লটোৱে বয়েৰ ওচৰৰ কৰ্নাল
গোৱাটোকে সিদ্ধান্ত কৰিলে।
মালতীয়ে বনভোজত খোৱাৰ
দায়িত্ব ললে...চেন্দুইচ, আপেল,
আৰু যথেষ্ট পৰিমানৰ
মালতোভা ফ্লাস্কত সাজু।

হৰাল...

সূৰ্য্যোদয়ৰ লগে লগেই যাত্ৰা
কৰিলে আৰু পুৱাৰ জলপান
ময়ত কমলা বাৰ্ড চেঞ্চুৰী পালে।
ক এপিয়লাকৈ মালতোভা পি
ক আকৌ যাত্ৰা আৰম্ভ কৰিলে।
মিনিজনী আগুৱাই গৈছিল।
াই হেৰাল, এতিয়া কি হব?
ই বিমোৰত পৰিল।
গল যেন বেলিটোও ভাৱৰে
লালে যেতিয়া হঠাৎ...
য়া যাদুকৰ হাতী। আউলী বাউলী
মিনি হাতত। তাই বনৰীয়া ফুল
গৈছিল আৰু মাজতে বাট হেৰাল।
ুমি যদি কেতিয়াবা আকৌ
কৰা তেন্তে তোমাক আমাৰ
তিয়াও আহিবলৈ নিদো।"
তে কলে।
...জ এটা

ভাল শিক্ষা পালা" বেনু আৰু চালিমে একেলগে কলে "বাৰু বলা এতিয়া যাওঁ"।

এইটো এটা সুন্দৰ দিন আছিল

দলটোৱে তেওঁলোকৰ বনভোজ উপভোগ কৰিলে কিন্নাত। অলপ সময় চুৰি-ডকাইত খেলাৰ পাচত ঘৰলৈ উভতিবৰ সময় হল। কিন্তু প্ৰথম বস্তু প্ৰথমেই ঃ প্ৰত্যেকৰ বাবে এপিয়লাকৈ গৰম আৰাম দায়ক মালতোভা "মিনি তুমি ওচৰতে থাকা, আকৌ কৰবাত নেহেৰাবা" দেবুৱে কলে। তেওঁলোকে পাহাৰৰ নামনিলৈ নামিব ধৰিলে ওঠত গান জুৰি আৰু অন্তৰত আনন্দলৈ।

মালতোভাই সকলো সলনি কৰে

সচাকৈয়ে মালতোভা শিশুৱে জীৱনত সকলো পাই কাৰণ প্ৰত্যেক পিয়লা মালতোভাতে আছে সোনালী ঘেঁহু, বাৰ্লি, খাটি গাখীৰ, বলকাৰক ককা আৰু শকৰাৰ উপকাৰী অংশ ই শক্তিদায়ক, প্ৰতিৰোধকাৰক আৰু বলকাৰক, আপোনাৰ শিশুক মালতোভা দিয়ক। দেখাপাব তেওঁলোক শক্তিবান আৰু স্বাস্থ্যবান হৈছে। আপোনাৰ শিশুক জীৱনৰ বাবে স্পৃহা বঢ়াওঁক।

মালতোভা ক্লাবত যোগদান কৰক

এইটো তেনেই উজু। মাত্ৰ ৫০০ গ্ৰামৰ তিনিখন জাৰ লেবেল আৰু ভিতৰৰ চিল অংশ অথবা তিনিখন ৫০০ গ্ৰামৰ ঢাকনি পঠাওঁক।

মালতোভা ক্লাব
ফৰথ ফ্লৰ, ভানদাৰী হাউচ
৯১, নেহেৰু প্লেচ
নতুন দিল্লি-১১০ ০১৯
আপুনি অংশ ললে।

JIL জগৎজিত ইণ্ডাষ্ট্ৰীজ লিমিটেড

ামিন যুক্ত মালতোভা: স্বাস্থ্য, বল আৰু শক্তিৰ বাবে

SIMOES/JIL/001/85 ASM

পাৰ্লে

পাৰ্লে গ্লুকোৰ সঙ্গ
জাগে শক্তিৰ তৰঙ্গ
বিশ্বৰ প্ৰতিটো ধূৰ্ত কনমানিৰ অঙ্গে অঙ্গে।

কনমানি ভাইটি ভণ্টিহঁত-আৰু
ক'ত এই শক্তিৰ উৎস নিহিতৰ ?
স্বাভাৱিকতে পাৰ্লে গ্লুকো বিস্কুটত। প্ৰত্যেক
বুদ্ধিমতী মাতৃয়ে জানে যে সেই ধূৰ্ত কনমানি সকলৰ
উত্তম আৰু বিকাশৰ বাবে আটাইতকৈ শ্ৰেষ্ঠ হ'ল-পাৰ্লে গ্লুকোৰ
মিঠা আৰু মচমচীয়া সোৱাদ। বহুযুগ ধৰি ভাইটি-ভণ্টিহঁতৰ বাবে
পাৰ্লে-এ বনোৱাৰ দ্বাৰেই-সদায়ে তাজা, সদায়ে ভাল।

পাৰ্লে
গ্লুকো
সোৱাদত অনুপম, শক্তিৰে ভৰপূৰ
ভাৰতৰ
সৰ্বাধিক বিক্ৰী হোৱা বিস্কুট

বিশ্ব বাছনি-পৰীক্ষা পুৰস্কাৰ বিজয়ী

everest/84/PP/40-as